
# অন্বেষণ

একাদশ বছৰ ■ দ্বিতীয় সংখ্যা ■ মাৰ্চ, ২০২৪

## অসমৰ গড়

## নদীৰ গতিপথ

## মানৱতাৰ দেৱাল






এম এছ্ স্বামীনাথন




পি ভি নৰসিংহ ৰাও




লালকৃষ্ণ আদৱানি




কৰ্পূৰী ঠাকুৰ



চৌধাৰী চৰণ সিং



গুলজাৰ



ৰামভদ্ৰাচাৰ্য্য

# অন্বেষণ

## একাদশ বছৰ, দ্বিতীয় সংখ্যা, মাৰ্চ, ২০২৪ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **জীৱবৈচিত্ৰ্যৰ বিচিত্ৰ কথা**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **আহোম আৰু মোগলৰ শেষ যুদ্ধ : ইটাখুলিৰ ৰণ**
■ সোণালী গগৈ

১১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **মানৱতাৰ দেৱাল—এক ব্যতিক্ৰমী প্ৰয়াস**
■ যুথিকা পাটোৱাৰী

১৮ **কেৰিয়াৰ হিচাপে যোগ**
■ অপৰ্ণা দেৱী

২০ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২২ **অসমৰ গড়**
■ চেহনাজ আখতাৰ আহমেদ

২৪ **Stories from World Classics**
■ Nisha Devi

২৫ **Did You Know**
■ Madhusmita Devi

২৬ **ৰাভা জনগোষ্ঠীৰ এটি পৌৰাণিক চৰিত্ৰ 'দ'দান'**
■ সিদ্ধাৰ্থ ৰাভা

২৬ **সময়**
■ উপাসনা শৰ্মা

২৮ **বন্ধুত্ব**
■ দোক্‌মোকালি গোস্বামী

২৯ **ফাগুন তোমাক জনালোঁ নিমন্ত্ৰণ**
■ কৃপাদৃষ্টি কলিতা

২৯ **পৃথিৱী মাতৃ**
■ অনুবাদ : বাস্তৱ দাস

৩০ **বন্ধুত্ব**
■ ৰক্তিম ডেকা

৩০ **বন্দী পক্ষী**
■ ৰিজুস্মিতা অধিকাৰী

৩১ **উপভাষা**
■ সুদীপ্তা চৌধুৰী

৩৩ **খাদ্য সুৰক্ষা সূচকাংক**
■ ৰুণিমা শৰ্মা

৩৪ **চুড'কু**

৩৫ **নদীৰ গতিপথ**
■ ৰাণু বুজৰবৰুৱা

৩৭ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৮ **মহীশূৰৰ যুদ্ধ**
■ নৱনীতা কলিতা

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আহিঁ পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# জীৱবৈচিত্ৰ্যৰ বিচিত্ৰ কথা

■ অভিজিত শৰ্মা বৰুৱা



জীৱবৈচিত্ৰ্য শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল—বায়'ডাইভাৰছিটি (Biodiversity)। বায়' (Bio) মানে হ'ল জীৱ, আৰু ডাইভাৰছিটিৰ (Diversity) অৰ্থ বৈচিত্ৰ্য। জীৱবৈচিত্ৰ্য শব্দটোৱে বিভিন্ন বৈজ্ঞানিক জাতি-প্ৰজাতি-সম্প্ৰদায়ৰ জীৱসমূহক বুজায়। এই শব্দটোৰ অৰ্থ যথেষ্ট বিশাল। ই সকলো প্ৰাণী, উদ্ভিদ, পৰিবেশ তন্ত্ৰ, অণুজীৱ, আনকি জিনিয় কণাসমূহকো সামৰি লয়। এই বায়'ডাইভাৰছিটি (Biodiversity) শব্দটো বোধহয় ১৯৮৫ চনত ই অ' উইলছন নামৰ এজন বিজ্ঞানীয়ে বায়'লজিকেল ডাইভাৰচিটি (Biological Diversity) শব্দ দুটাৰ পৰা এটা শব্দ কৰি প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল। যিবোৰ দেশত প্ৰাকৃতিক পৰিবেশৰ বিশেষ ক্ষতি হোৱা নাই বা মানৱ জাতিক প্ৰগতিৰ পথত আগ বঢ়াই নিওঁতে য'ত প্ৰাকৃতিক পৰিবেশ অক্ষুণ্ণ ৰখা হয়, সেই দেশেই জীৱবৈচিত্ৰ্যত চহকী। জীৱবৈচিত্ৰ্যত চহকী এখন দেশে অৰ্থনৈতিক ক্ষেত্ৰতো যথেষ্ট উন্নতি লাভ কৰিব পাৰে।

## জীৱিকা নিৰ্বাহত জীৱবৈচিত্ৰ্যৰ গুৰুত্ব

বিজ্ঞানীসকলে ধাৰণা কৰামতে পৃথিৱীৰ সৃষ্টি হৈছিল আজিৰ পৰা প্ৰায় ৪৫০ কোটি বছৰৰ আগতে। পৃথিৱীখন শীতল আৰু জীৱ সৃষ্টিৰ বাবে উপযোগী হৈ উঠাৰ পাছত প্ৰায় ৩০০ কোটি বছৰ আগতে পৃথিৱীত জীৱৰ সৃষ্টি হ'ল। সেইবোৰ আছিল মূলতঃ বেক্টেৰিয়া আৰু ভেঁকুৰ। প্ৰথম গছৰ সৃষ্টি হ'ল—ডেভ'নিয়ান (devonian) যুগত (আজিৰ পৰা প্ৰায় ৪২ কোটি বছৰৰ পৰা ৩৬ কোটি বছৰ আগৰ সময়ছোৱা)। মানুহ বিবৰ্তন হ'ল চিন'জ'ইক (cenozoic) যুগত (আজিৰ পৰা প্ৰায় ৬ কোটি ৬ লাখ বছৰ আগৰ পৰা বৰ্তমান সময়লৈ)। মানুহে জুইৰ আৱিষ্কাৰ কৰিলে, তাত খাদ্য সেকি, বা গৰম পানীত সিজাই খাবলৈ শিকিলে। লগতে প্ৰকৃতিত পোৱা বিভিন্ন উদ্ভিদসমূহৰ কোনবোৰ খাদ্যৰ বাবে উপযুক্ত হ'ব, সেয়া বাছি ল'বলৈ শিকিলে।

প্ৰকৃতিৰ সমৃদ্ধ জীৱবৈচিত্ৰ্যই আমাক ভাবিব নোৱৰা ধৰণে সহায় কৰিছে। আমাৰ অন্ন-বস্ত্ৰ-বাসস্থান আমি প্ৰকৃতিৰ পৰাই সংগ্ৰহ কৰিছোঁ। যি ঠাইৰ জীৱবৈচিত্ৰ্য চহকী, সেইবোৰ অঞ্চলে অৰ্থনৈতিকভাৱেও যথেষ্ট উন্নতি লাভ কৰিব পাৰিছে। তাৰ মানুহবোৰৰ সংস্থাপনৰ সমস্যা নাই। খেতিৰ বাবে সুবিধাজনক ঠাইত মানুহে খেতি কৰিছে, মাছ থকা ঠাইত মানুহে মাছ মাৰি জীৱিকা নিৰ্বাহ কৰিছে, বিশেষ মূল্যবান গছ গজা ঠাইত মানুহে সেইবোৰৰ যোগেদি উপাৰ্জন কৰিছে, আন নহ'লেও পৰ্য্যটনৰ জৰিয়তেও বহুতো মানুহে জীৱিকাৰ উপায় উলিয়াইছে।

আমাৰ মহাভাৰতত উল্লেখ থকামতে কৃষ্ণই সেই তেতিয়াই কৈছিল, "তুমি মূৰ্তি পূজা কৰাৰ প্ৰয়োজন নাই, তাৰ পৰিবৰ্তে তুমি পূজা কৰা অৰণ্যক আৰু অৰণ্যৰ

জীৱ-জন্তুবোৰক, কাৰণ সেইবোৰেই আমাক জীয়াই ৰাখিছে।” অৰ্থাৎ সেই সময়তো তেওঁলোকে প্ৰকৃতিৰ জীৱবৈচিত্ৰ্যৰ গুৰুত্ব বুজি পাইছিল, যদিও জীৱবৈচিত্ৰ্য শব্দটো তেতিয়া নাছিল।

## জীৱবৈচিত্ৰ্যৰ সংৰক্ষণ

সমুদ্ৰৰ ওচৰত থকা মোহনা অঞ্চলে সমুদ্ৰৰ জীৱবৈচিত্ৰ্যৰ সংৰক্ষণত যথেষ্ট সহায় কৰে। সাধাৰণতে এখন নদী যেতিয়া আহি সমুদ্ৰত পৰে তেতিয়া তাত মোহনা অঞ্চলৰ সৃষ্টি হয়। সেই অঞ্চলত সমুদ্ৰৰ পানীৰ সোঁত কম, আৰু সেইবাবেই বহুতো প্ৰাণীয়ে তাত বসবাস কৰিবলৈ সুবিধা পায়। মোহনা অঞ্চলত কিছুমান সৰু-সুৰা জলচৰ প্ৰাণীৰ এক বৃহৎ আবাসভূমিৰ সৃষ্টি হয়। সেইবোৰ প্ৰাণীৰ ওপৰতে নিৰ্ভৰ কৰি আকৌ আন কিছুমান জলচৰ প্ৰাণীয়ে তাত বাস কৰিবলৈ লয়। তাত মাছতো থাকেই, আন জলচৰ জীৱও তাত যথেষ্ট পৰিমাণে থাকে। উপকূলীয় পানীৰ গুণাগুণ ৰক্ষা কৰাতো এই মোহনা অঞ্চলে সহায় কৰে।

অৰণ্যয়ো মানুহক যথেষ্ট সহায় কৰে। অৰণ্যই প্ৰদূষণ কমায়, বৰষুণৰ পৰিমাণ একে ৰখাত সহায় কৰে ইত্যাদি। অৰণ্যৰ পৰা মানুহৰ অৰ্থনৈতিক লাভো হয়। অৰণ্যত বহুতো গছ-লতা, বৃক্ষ আদি থাকে, যিবোৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অৰ্থনৈতিক গুৰুত্ব আছে। সাধাৰণতে অৰণ্য হ'ল ফলমূল, কাঠ, খৰি, ৰেজিন, আঠা, ৰঞ্জক দ্ৰব্য আদিৰ এক বৃহৎ ভাণ্ডাৰ। আন কোনো ঠাইৰ পৰা বা আন কোনো পদ্ধতিৰে তেনে ধৰণৰ বৃহৎ ভাণ্ডাৰ পোৱাটো সম্ভৱ নহয়।

## 'জীৱসম্ভাৱনা'ৰ নতুন ক্ষেত্ৰ

এতিয়া 'জীৱসম্ভাৱনা' বা 'বায়'প্ৰছপেকটিং' (bioprospecting) নামৰ এক নতুন ক্ষেত্ৰৰো সৃষ্টি হৈছে। এনে কিছুমান উদ্ভিদ বা প্ৰাণী এতিয়াও আছে, যিবোৰৰ বিষয়ে আমাৰ মানৱ সমাজে নাজানেই। গতিকে কোনোবাই যদি কিবা অচিনাকি গছ বা প্ৰাণীৰ বিষয়ে কিবা আৱিষ্কাৰ কৰে, অথবা কোনোবা চিনাকি বা আগতে আৱিষ্কৃত জীৱৰ বিষয়েও কিবা আৱিষ্কাৰ কৰে, তেন্তে তাৰ বিশেষ অৰ্থনৈতিক গুৰুত্ব থাকিব। 'জীৱসম্ভাৱনা' ক্ষেত্ৰখনে এই দিশত কাম কৰে। বিজ্ঞানীসকলৰ মতে কিছু অনন্য বিশেষত্ব থকা বহু প্ৰাণী বা উদ্ভিদ পৃথিৱীত থকাটো নিশ্চিত, কিন্তু আমি সেইবোৰৰ গুণাৱলী আৱিষ্কাৰহে কৰিব পৰা নাই। সেয়া কেৱল ঔষধিজাতীয় গুণেই নহয়, কিছুমান গছৰ পৰা আমি ঘৰ সজা সামগ্ৰী পাব পাৰোঁ। যেনে—শাল, চেগুন, গমাৰি, তিতাচঁপা আদি। একাচিয়া এছ পি এছ (Acacia sps), ইউকেলিপ্টাছ (Eucalyptus) আদি গছৰ পৰা ইন্ধন, পাইনাছ এছ পি এছৰ (Pinus sps) পৰা মম আৰু ৰেজিন পোৱা যায়। আমি সুগন্ধি দ্ৰব্য পাব পাৰোঁ—তুলসী, পদিনা, ধূনা আদি গছৰ পৰা। আনহাতে বিউটিয়া মনস্পাৰমা (*Butea monosperma*) ফুল, হালধিৰ ৰাইজ'ম, খয়াৰ আদিৰ পৰা ৰঞ্জক, একাচিয়া আৰবিকা (*Acacia arabica*) আদিৰ পৰা আঠা পাব পৰা যায়।

প্ৰাচীন সভ্যতাসমূহ মূলতঃ নদীকেন্দ্ৰিক আছিল। জীৱবৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ শস্যৰ খেতি কৰা হৈছিল।

## আন ধৰণৰ সহায়

আজিকালি ইক' টুৰিজম বা পৰিবেশ পৰ্য্যটন বুলি পৰ্য্যটনৰ এক শাখাই আছে। মানে যিবোৰ স্থানত জীৱবৈচিত্ৰ্যসমূহ অনুপম, যিবোৰ ঠাই প্ৰাকৃতিকভাৱেও সুন্দৰ, সেই ঠাইসমূহ চাবলৈ বহু পৰ্য্যটক আহে। তেনে পৰ্য্যটনৰ পৰাও বহুত আয় হয়। উদাহৰণস্বৰূপে, ফ্ল'ৰিডাৰ প্ৰবাল প্ৰাচীৰৰ পৰিবেশ পৰ্য্যটনৰ পৰা আয় হয় বছৰি প্ৰায় ১৩ শ কোটি টকা। প্ৰাকৃতিক পৰিবেশত থকা বিচিত্ৰ উদ্ভিদ, প্ৰাণী, গছ-লতা আদিক তেনে পৰিবেশতে সুৰক্ষিত কৰি ৰাখিলে এনে পৰ্য্যটনৰ বাবে বেছ সুবিধা হয়। জীৱবৈচিত্ৰ্যই আৰু বহুত বিচিত্ৰ সহায় কৰিব পাৰে। তাৰ এক উদাহৰণ হ'ল—পৰাগন। বহু গছে বংশ বৃদ্ধি কৰিবৰ বাবে প্ৰয়োজনীয় পৰাগনৰ বাবে মৌমাখি, পখিলা, ভোমোৰা আদিৰ ওপৰত নিৰ্ভৰ কৰে। কোনোবা অঞ্চলত যদি বহুতো ধুনীয়া ফুল গছ থাকে, কিন্তু সেই অঞ্চলত থকা পখিলা, মৌমাখি আদিবোৰ কিবা কাৰণত

যদি ধ্বংস হৈ যায়, তেতিয়া সেই ফুল গছবোৰ কিছু বছৰ পাছত তাৰ পৰা একেবাৰে নোহোৰা হৈও যাব পাৰে।

মাটি সাৰুৱা কৰি ৰখাৰ ক্ষেত্ৰত জীৱবৈচিত্ৰ্যই সহায় কৰে। বিভিন্ন অণুজীৱ আৰু মাটিত বাস কৰা ক্ষুদ্ৰ জীৱৰ অবিহনে মাটি সাৰুৱা হোৱাটো সম্ভৱ নহয়। বেক্টেৰিয়া, ভেঁকুৰ, শেলাই আদিৰ বাবে মাটি সৰু সৰু কণাত পৰিণত হয় আৰু মাটিয়ে নিজৰ সাৰ অংশ আহৰণ কৰিব পাৰে। কেঁচুৱে কেঁচুমতা তৈয়াৰ কৰি সাৰ সৃষ্টি কৰে আৰু মাটিত গাঁত কৰি মাটিলৈ বায়ু মানে অক্সিজেন সোমাই যোৱাৰ সুবিধা কৰি দিয়ে।

কাৰ্বন, নাইট্ৰ'জেন, ফছফৰাছ আদি গুৰুত্বপূৰ্ণ মৌলিক দ্ৰব্যসমূহৰ পুনঃচক্ৰীকৰণ (Recycling) কৰাত প্ৰাণী আৰু উদ্ভিদজগতে গুৰুত্বপূৰ্ণ ভূমিকা লয়। মটৰ মাহ আদিৰ খেতি কৰিলে সেইবোৰ গছৰ শিপা আৰু অৱশেষে মাটিত নাইট্ৰ'জেনৰ যোগান ধৰে। আনহাতে প্ৰাকৃতিক কীটনাশকবোৰ কৃত্ৰিম বা ৰাসায়নিকভাৱে প্ৰস্তুত কৰা কীটনাশকতকৈ বহুত বেছি কাৰ্য্যকৰী আৰু এইবোৰে স্বাভাৱিক পৰিবেশৰ কোনো ক্ষতি নকৰে। সেইবোৰ পচনশীল আৰু বিষাক্ত নহয়। আন কিছু কীটনাশক বৈশিষ্ট্যক জৈৱপ্ৰযুক্তিৰ সহায়েৰে আন জীৱৰ দেহত সংস্থাপিত কৰিব পৰাও গৈছে। সেই নতুন প্ৰজাতিৰ উদ্ভিদৰ নাম 'জিনীয়ভাৱে বিকশিত জীৱ' বা 'জেনেটিকেলি মডিফাইড অৰ্গেনিজম' (genetically modified organism)। এইবোৰক চমুকৈ 'জি এম অ' নামেৰেও জনা যায়। যেনে বি টি কপাহ। বি টি কপাহত কপাহৰ নিজস্ব জিন'মতো আছেই, লগতে আছে বেচিলাছ থুৰিঙিয়েনছিছ (*Bacillus thuringiensis*) নামৰ এবিধ বেক্টেৰিয়াৰ জিন'মো। কপাহৰ পাতত বাহ লৈ সেই গছক ৰোগাক্ৰান্ত কৰিব পৰা এবিধ কীটৰ পৰা কপাহক এই জিনে ৰক্ষা কৰে। মানে তেনে বি টি কপাহৰ পাত খালে সেই কীটবোৰ মৃত্যুৰ মুখত পৰে। কিন্তু ই মানুহৰ কোনো অনিষ্ট নকৰে। বি টি বেঙেনা, ট্ৰান্সজেনিক (transgenic) ধঁপাত, ট্ৰান্সজেনিক বিলাহী, গ'ল্ডেন চাউল আদিও এনে প্ৰযুক্তিৰ উদাহৰণ।

## আমাৰ খাদ্য, ঔষধ আৰু জীৱবৈচিত্ৰ্য

আমি খাদ্য বস্তু পাব পৰা শস্য বা উদ্ভিদৰ সংখ্যা আঢ়ৈ লাখমান হ'ব। কিন্তু আমাৰ ৯০ শতাংশ খাদ্যই আমি ১০০ বিধমান শস্যৰ পৰা পাওঁ। তাৎপৰ্য্যপূৰ্ণভাৱে ধান, ঘেঁহু আদি মাত্ৰ কেইবিধমান শস্যইহে মানৱ জাতিক দুৰ্ভিক্ষৰ পৰা ৰক্ষা কৰি আছে। জীৱবৈচিত্ৰ্যৰ জৰিয়তে আমি বিভিন্ন ধৰণৰ খাদ্য পাব পাৰোঁ আৰু ই আমাক সোৱাদৰ বৈচিত্ৰ্য প্ৰদান কৰে। বিশ্বত মাছ ব্যৱহাৰ কৰা হয় বছৰি প্ৰায় ১০০ নিযুত মেট্ৰিক টন। এই মাছেই হ'ল মানৱ জাতিৰ বাবে প্ৰয়োজনীয় প্ৰ'টিনৰ মূল উৎস। এছিয়া আৰু আফ্ৰিকাৰ ২০ শতাংশ লোকে মাছকে প্ৰ'টিনৰ প্ৰধান উৎস হিচাপে ব্যৱহাৰ কৰে। অৱশ্যে স্পিৰুলিনা (Spirulina), ক্লৰেলা (Chlorella), উলভা (Ulva), পৰফাইৰা (Porphyra) আদি শেলাইৰ পৰাও প্ৰ'টিন পোৱা যায়। আন কিছু লোকৰ বাবে প্ৰ'টিনৰ উৎস হ'ল - মাংস। আমি গৰু, ছাগলী, ম'হ, ভেড়া, হাঁহ, কুকুৰা আদিৰ পৰা মাংস পাওঁ। তদুপৰি, কেঁকোৰা, মিছামাছ, লবষ্টাৰ, অক্ট'পাছ আদিও মাংসৰ উৎস।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে উন্নয়নশীল দেশসমূহৰ ৮০ শতাংশ লোকে ঘাইকৈ উদ্ভিদজগতৰ পৰা পাব পৰা পৰম্পৰাগত দৰবৰ ওপৰতে নিৰ্ভৰ কৰে। দক্ষিণ-পূব এছিয়াত মানুহে মেলেৰিয়া, পেটৰ আলচাৰ, চিফিলিছ আদি বিভিন্ন ৰোগৰ পৰা উপশম পাবলৈ সহস্ৰাধিক উদ্ভিদ ব্যৱহাৰ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডাক্তৰসকলে তেওঁলোকৰ নিদানপত্ৰত আটাইতকৈ বেছিকৈ লিখা ১৫০ বিধ দৰবৰ ১১৮ বিধেই প্ৰাকৃতিক সম্পদসমূহৰ পৰা তৈয়াৰ কৰা।

আমাৰ চাহত কেফেইন থাকে, যি স্নায়ুতন্ত্ৰক উজ্জীৱিত কৰে। চিনকোনা গছৰ বাকলিৰ পৰা কুইনাইন পোৱা যায়। কলচিকাম অটমনালেৰ (*Colchicum autumnale*) পৰা কলচিকিন পোৱা যায়, যাৰ কেন্সাৰ প্ৰতিৰোধী ক্ষমতা আছে। আমাৰ অসমত এনে বহুত বনৌষধি আছে, যিবোৰে বহুমূত্ৰ, উচ্চ ৰক্তচাপ, জণ্ডিছ আদি ৰোগৰ ক্ষেত্ৰত বেছ ফলপ্ৰসূভাৱে কাম কৰে। ❖

## গীতিকাৰ গুলজাৰ আৰু ৰামভদ্ৰাচাৰ্য্যলৈ জ্ঞানপীঠ বঁটা



দেশৰ সাহিত্য জগতৰ সৰ্বশ্ৰেষ্ঠ সন্মান 'জ্ঞানপীঠ বঁটা, ২০২৩' বিশিষ্ট কবি-গীতিকাৰ গুলজাৰ আৰু সংস্কৃত পণ্ডিত জগদগুৰু ৰামভদ্ৰাচাৰ্য্যলৈ আগ বঢ়োৱা হয়। জ্ঞানপীঠ নিৰ্বাচক কমিটিয়ে যোৱা ১৭ ফেব্ৰুৱাৰীত বঁটাপ্ৰাপক দুজনৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। পাকিস্তানৰ দীনাত জন্মগ্ৰহণ কৰা ৮৯ বছৰীয়া গুলজাৰক ঘাইকৈ গীতিকাৰ আৰু কবি হিচাপে সাহিত্য জগতলৈ আগ বঢ়োৱা অনৱদ্য অৱদানৰ বাবে এই সৰ্বোচ্চ বঁটাৰে সন্মানিত কৰা হৈছে। চিত্ৰনাট্যকাৰ, সংলাপ লেখক তথা পৰিচালক হিচাপেও খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা গুলজাৰৰ প্ৰকৃত নাম হৈছে সমপূৰণ সিং কালৰা। জনপ্ৰিয় অভিনেত্ৰী ৰাখীৰ স্বামী গুলজাৰে ২০০২ বৰ্ষত সাহিত্য অকাডেমি বঁটা, ২০০৪ বৰ্ষত পদ্মভূষণ সন্মান আৰু ২০১৩ বৰ্ষত দাদাচাহেব ফাল্কে বঁটা লাভ কৰিছিল।

আনহাতে, উত্তৰ প্ৰদেশৰ চিত্ৰকূটত জন্মগ্ৰহণ কৰা ৰামভদ্ৰাচাৰ্য্য হৈছে সংস্কৃত সাহিত্যৰ বিশিষ্ট সাহিত্যিক তথা তুলসীপীঠৰ প্ৰতিষ্ঠাতা। জন্মান্ধ ৰামভদ্ৰাচাৰ্য্য শতাধিক গ্ৰন্থৰ প্ৰণেতা তথা সংস্কৃত ভাষা আৰু সাহিত্যৰ বিদগ্ধ পণ্ডিত। সংস্কৃতৰ লগতে হিন্দী, অৱধি, মৈথিলীকে ধৰি ২২টা ভাষাত দখল থকা ৰামভদ্ৰাচাৰ্য্য ৰামায়ণ আৰু ভাগৱতৰ এজন বিশিষ্ট কথাশিল্পী।

## প্ৰধানমন্ত্ৰী মোডীৰ ইউ এ ই ভ্ৰমণ

দুদিনীয়া ভ্ৰমণসূচী লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী যোৱা ১৩ ফেব্ৰুৱাৰীত সংযুক্ত আৰব আমিৰশ্বাহীৰ আবুধাবিত উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি শ্বেইখ জায়েদ আল নাহয়ানৰ উপস্থিতিত প্ৰধানমন্ত্ৰী মোডীক 'গাৰ্ড অৱ অনাৰ' প্ৰদৰ্শনেৰে ৰাষ্ট্ৰীয় অতিথিৰ সন্মান দিয়া হয়। ৰাষ্ট্ৰপতি আল নাহয়ান আৰু প্ৰধানমন্ত্ৰী মোডীৰ মাজত অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকত শক্তি, বাণিজ্য, যোগাযোগ, প্ৰযুক্তি, প্ৰতিৰক্ষা আদি বিষয়ত আলোচনা হয় আৰু বহুকেইখন চুক্তি স্বাক্ষৰিত হয়।

১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোডীয়ে দেশখনত নিৰ্মিত প্ৰথমটো হিন্দু মন্দিৰ 'বিএপিএছ স্বামীনাৰায়ণ মন্দিৰ' উদ্বোধন কৰে। আবুধাবিত ২৭ একৰ ভূমিত ৭০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এই মন্দিৰটোৰ নিৰ্মাণ কাৰ্য্য ২০১৯ চনৰ ডিচেম্বৰ মাহতে আৰম্ভ কৰা হৈছিল। প্ৰায় ১০৮ ফুট ওখ তথা ২০০ স্বেচ্ছাসেৱকৰ সহযোগত নিৰ্মাণ কৰা দেশখনৰ এই অত্যাধুনিক মন্দিৰটোৱে দুয়োখন দেশৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক অধিক দৃঢ় কৰিব বুলি আশা কৰা হৈছে।

## পি ভি নৰসিংহ ৰাও, চৌধাৰী চৰণ সিং, লালকৃষ্ণ আদৱানি আৰু এম এছ স্বামীনাথনলৈ 'ভাৰত ৰত্ন' সন্মান

যোৱা ২৩ জানুৱাৰী তাৰিখে বৰেণ্য স্বাধীনতা



সংগ্ৰামী কৰ্পূৰী ঠাকুৰক দেশৰ সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ৩ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখে আৰু আন চাৰিগৰাকী ভাৰত ৰত্ন বঁটা প্ৰাপকৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এই ব্যক্তি চাৰিগৰাকী হ'ল পিভি নৰসিংহ ৰাও, চৌধাৰী চৰণ সিং, লালকৃষ্ণ আদৱানি আৰু এমএছ স্বামীনাথন।

১৯২১ চনৰ ২৮ জুনত অন্ধ্ৰপ্ৰদেশত জন্মগ্ৰহণ কৰা পামুলাপৰ্তি ভেংকাটা নৰসিংহ ৰাৱে দেশৰ নৱমসংখ্যক প্ৰধানমন্ত্ৰী হিচাপে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ সেৱা আগ বঢ়াইছিল। ভাৰতবৰ্ষৰ অৰ্থনৈতিক উদাৰীকৰণ নীতিৰ অন্যতম কাণ্ডাৰী ৰাও এগৰাকী বিশিষ্ট কবি তথা

লেখক হিচাপেও পৰিচিত। অন্ধ্ৰপ্ৰদেশৰ চতুৰ্থগৰাকী মুখ্যমন্ত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰা ৰাওৱ ২০০৪ চনত দেহাৰসান ঘটে।

১৯০২ চনৰ ২৩ ডিচেম্বৰত উত্তৰ প্ৰদেশৰ হাপুৰত জন্মগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী চৌধাৰী চৰণ সিঙে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰাৰ পাছত ১৯৭৯-৮০ চনত দেশৰ পঞ্চমগৰাকী প্ৰধানমন্ত্ৰী হিচাপে সেৰা আগ বঢ়ায়।

১৯২৭ চনৰ ৮ নৱেম্বৰত কৰাচীত জন্মগ্ৰহণ কৰা লালকৃষ্ণ আদৱানিয়ে ১৪ বছৰ বয়সতে আৰএছএছত যোগদান কৰি ১৯৭০ চনত প্ৰথমবাৰৰ বাবে ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ১৯৭৭ চনত জনতা পাৰ্টী চৰকাৰৰ কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰা আদৱানিয়ে ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ দেশৰ গৃহমন্ত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। শাসকীয় ভাৰতীয় জনতা পাৰ্টিৰ এজন অন্যতম প্ৰতিষ্ঠাতা লালকৃষ্ণ আদৱানি ২০০২ চনত দেশৰ উপ-প্ৰধানমন্ত্ৰী পদলৈ নিৰ্বাচিত হৈছিল।

এই বৰ্ষত ভাৰতৰত্ন বঁটা লাভ কৰা এম এছ স্বামীনাথন হৈছে ভাৰতৰ সেউজ বিপ্লৱৰ জনক তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কৃষিবিজ্ঞানী। ১৯২৫ চনৰ ৭ আগষ্টত তামিলনাডুত জন্মগ্ৰহণ কৰা স্বামীনাথনে দেশে-বিদেশে কৰা কৃষি বিপ্লৱৰ স্বীকৃতি স্বৰূপে ৰমণ মেগছেছে বঁটাকে ধৰি অসংখ্য ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটা-সন্মান লাভ কৰিবলৈ সক্ষম হয়।

## ১৯ বছৰ অনূৰ্দ্ধ ক্ৰিকেট বিশ্বকাপত চেম্পিয়ন অষ্ট্ৰেলিয়া

যোৱা ১৯ জানুৱাৰীৰ পৰা ১১ ফেব্ৰুৱাৰীলৈ দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ১৫ সংখ্যক ১৯ বছৰ অনূৰ্দ্ধ ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাৰ ফাইনেল খেলত ভাৰতক পৰাজিত কৰি অষ্ট্ৰেলিয়াই চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ফাইনেল মেচখনত অষ্ট্ৰেলিয়াই প্ৰথমে বেটিং কৰি সাতটা উইকেটৰ বিনিময়ত ২৫৩ ৰান কৰে আৰু প্ৰত্যুত্তৰত ভাৰতে ৪৩.৫ অভাৰত ১৭৪ ৰান কৰি পৰাজয় স্বীকাৰ কৰে। মুঠ ১৬খন দেশে অংশগ্ৰহণ কৰা এই বৰ্ষৰ প্ৰতিযোগিতাত ভাৰতে লীগ পৰ্য্যায়ত অপৰাজিত হৈ থাকে যদিও বেটিং ব্যৰ্থতাৰ বাবে ফাইনেলত পৰাজিত হয়।

## অন্তৰ্বৰ্তীকালীন কেন্দ্ৰীয় বাজেট দাখিল




যোৱা ১ ফেব্ৰুৱাৰী তাৰিখে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ১১,১১,১১১ কোটি টকাৰ অন্তৰ্বৰ্তীকালীন কেন্দ্ৰীয় বাজেট (এপ্ৰিল, মে', জুন আৰু জুলাই মাহৰ বাবে) লোকসভাত দাখিল কৰে। এই বাজেটখনত মহিলা, যুৱক-যুৱতী, দৰিদ্ৰ শ্ৰেণী আৰু কৃষকক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। এই অন্তৰ্বৰ্তীকালীন বাজেটখনত ৰেল বিভাগৰ বাবে ২.৫৫ লাখ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু উত্তৰ-পূৰ্বাঞ্চললৈ ১০,৩৬৯ কোটি টকা আবণ্টন দিয়া হৈছে। সামগ্ৰিকভাৱে বাজেটখনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৯৬,৮৫৭ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু পথ পৰিবহণ-ঘাইপথ উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। থোৰতে কেন্দ্ৰীয় বাজেটখনত কৰা কেইটমান ঘোষণা হ'ল—

১। অহা পাঁচ বছৰত দুই কোটিৰো অধিক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ নিৰ্মাণ কৰা হ'ব।

২। ছাদৰ ওপৰত সৌৰশক্তি স্থাপনৰ জৰিয়তে এক কোটি পৰিয়ালে প্ৰতি মাহে ৩০০ ইউনিটকৈ বিনামূলীয়া বিদ্যুৎ লাভ কৰিব পাৰিব।

৩। আশাকৰ্মী, অংগনবাড়ী কৰ্মী আৰু সহায়িকালৈ আয়ুষ্মান ভাৰতৰ সুবিধা সম্প্ৰসাৰিত কৰা হ'ব।

৪। ৪০ হাজাৰ সাধাৰণ ৰেলৰ দবা বন্দে ভাৰতৰ মানলৈ উন্নীত কৰা হ'ব।

৫। দেশত আৰু অধিক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব।

৬। বছৰি সাত লাখ টকা পৰ্য্যন্ত আয়ৰ বাবে আয়কৰ ৰেহাই দিয়া হ'ব।

৭। খুচুৰা ব্যৱসায়ৰ বাবে আয়কৰ প্ৰদানৰ সীমা ২ কোটিৰ পৰা ৩ কোটিলৈ বৃদ্ধি কৰা হ'ব।

৮। ঘৰুৱা কোম্পানীৰ কৰ্প'ৰেট আয়কৰ ৩০ শতাংশৰ পৰা ২২ শতাংশলৈ হ্ৰাস কৰা হ'ব।

৯। নতুন উৎপাদনমূলক কোম্পানীসমূহৰ বাবে কৰ্প'ৰেট আয়কৰৰ হাৰ ১৫ শতাংশ কৰা হ'ব, ইত্যাদি।

## বিশ্ব শক্তি সপ্তাহ-২০২৪ সম্পন্ন

যোৱা ৬ ফেব্ৰুৱাৰীৰ পৰা গোৱাত দ্বিতীয় ভাৰত-বিশ্ব শক্তি সপ্তাহ অনুষ্ঠিত হয়। বিশ্বৰ ১৭খন ৰাষ্ট্ৰৰ শক্তিমন্ত্ৰী, ৩৫ হাজাৰ প্ৰতিনিধি আৰু ৯০০ প্ৰদৰ্শনকাৰীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এই বৰ্ষৰ সন্মিলনখনত ২০৭০ চনৰ ভিতৰত ভাৰতৰ কাৰ্বন নিৰ্গমনৰ হাৰ শূন্য কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। এই ভাৰত-বিশ্ব শক্তি সপ্তাহৰ প্ৰধান লক্ষ্য হৈছে শক্তিৰ উপলব্ধতা, ব্যয়সাধ্যতা আৰু বহন ক্ষমতা নিশ্চিত কৰাৰ লগতে শক্তি সুৰক্ষাক অগ্ৰাধিকাৰ দি জৰুৰী বিশ্ব শক্তি প্ৰত্যাহ্বানসমূহৰ লগত ফলপ্ৰসূভাৱে মোকাবিলা কৰা। বহনক্ষম ভৱিষ্যৎ আৰু পৰিবেশৰ সংবেদনশীলতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ভাৰত হৈছে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ শক্তি। ২২ খন দেশ আৰু ১২টা আন্তঃৰাষ্ট্ৰীয় সংগঠনে অহা ৫ বছৰত ভাৰতত ৬৭ বিলিয়ন মাৰ্কিন ডলাৰ ভাৰতৰ শক্তিখণ্ডত বিনিয়োগ কৰিব বুলি ঘোষণা কৰে। মুঠ ৯২খন বৈঠক অনুষ্ঠিত হোৱা এই বৰ্ষৰ শক্তি সপ্তাহত আমেৰিকা, ইংলণ্ড, জাৰ্মানী, কানাডা, ৰাছিয়া আদি দেশৰ প্ৰতিনিধি উপস্থিত থাকে আৰু ১৪৪ কোটি লোকে বাস কৰা ভাৰতত কাৰ্বন নিৰ্গমনৰ পৰিমাণ চাৰি শতাংশ বুলি ঘোষণা কৰা হয়।

## পাকিস্তানৰ সাধাৰণ নিৰ্বাচন সম্পন্ন : শ্বেহবাজ শ্বৰীফ প্ৰধানমন্ত্ৰী নিৰ্বাচিত

যোৱা ৮ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত পাকিস্তানৰ ১২ সংখ্যক সাধাৰণ নিৰ্বাচনত কোনো এটা ৰাজনৈতিক দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিববৈলে সমৰ্থ নহ'ল। ২৬৬ জনীয়া নিম্ন সদনৰ ১১ ফেব্ৰুৱাৰীত ঘোষিত ফলাফল অনুসৰি ইমৰান খান নেতৃত্বাধীন পিটিআই দলে ৯৩ খন আসন পোৱাৰ বিপৰীতে পাকিস্তান মুছলীম লীগ (এন) দলে ৭৫ খন আৰু পাকিস্তান পিপলছ পাৰ্টিয়ে ৫৪ খন আসন দখল কৰে। মুঠ ৬ কোটি ভোটাৰবিশিষ্ট এই বৰ্ষৰ নিৰ্বাচনত ৪৭ শতাংশ ভোটদান সম্পন্ন হয় আৰু নিৰ্দলীয় আৰু অন্যান্য দলে ৪৩ খন আসন লাভ কৰে। চৰকাৰ গঠন কৰিবলৈ কোনো দলে একক সংখ্যাগৰিষ্ঠতা লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত পাকিস্তান মুছলীম লীগ (এন) আৰু পাকিস্তান পিপলছ পাৰ্টিৰ ২১ ফেব্ৰুৱাৰীত অনুষ্ঠিত দ্বৈত বুজাবুজিৰ বৈঠকত পিএমএল (এন)ৰ ৭২ বছৰীয়া প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফক নতুন প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰা হয়। আনহাতে পিপিপি দলৰ ৬৮ বছৰীয়া প্ৰাক্তন ৰাষ্ট্ৰপতি আচিফ আলী জৰ্দাৰীক পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে মনোনীত কৰা হয়। উল্লেখযোগ্য যে প্ৰাক্তন প্ৰধানমন্ত্ৰী (বৰ্তমান কাৰাবন্দী) ইমৰান খান সংসদৰ আস্থা ভোটত পৰাজিত হোৱা বাবে নিৰ্বাচন অনিবাৰ্য্য হৈ পৰিছিল।

## গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই



যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখে ৰাজস্থান উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ ন্যায়াধীশ ৬০ বছৰীয়া বিজয় বিষ্ণইয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ২০১৩ চনৰ ৮ জানুৱাৰীত ৰাজস্থান উচ্চ ন্যায়ালয়ত ন্যায়াধীশৰূপে যোগদান কৰা ন্যায়াধীশ বিষ্ণইক ৰাজ্যপাল গোলাপ চান্দ কাটাৰিয়াই শপত গ্ৰহণ কৰোৱায়। উল্লেখযোগ্য যে উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ ন্যায়াধীশ সন্দীপ মেহতাক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰূপে পদোন্নতি দিয়াৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ আসনখন খালী হৈছিল। ১৯৬৪ চনৰ ২৬ মাৰ্চত ৰাজস্থানত জন্মগ্ৰহণ কৰা বিজয় বিষ্ণই হৈছে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৪১ সংখ্যক মুখ্য ন্যায়াধীশ। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ জানুৱাৰী, ২০২৪ ৰ পৰা ২০ ফেব্ৰুৱাৰী, ২০২৪লৈ)**

২২ **জানুৱাৰী :** অযোধ্যাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নৱনিৰ্মিত ৰাম মন্দিৰ উদ্বোধন কৰে।

২৫ **জানুৱাৰী :** ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰণে দুদিনীয়া কাৰ্য্যসূচীৰে ভাৰত ভ্ৰমণ কৰে আৰু কেইবাখনো বাণিজ্যিক চুক্তি সম্পাদন কৰাৰ লগতে গণৰাজ্য দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

২৭ **জানুৱাৰী :** মেলবৰ্'ৰ্ণত অনুষ্ঠিত অষ্ট্ৰেলিয়ান টেনিছ প্ৰতিযোগিতাত ৰোহন বোপান্নাই মেথিউ এবদেনৰ সৈতে গ্ৰেণ্ড শ্লাম (ডাবলছ) খিতাপ দখল কৰে।

২৮ **জানুৱাৰী :** ইৰানে তিনিটা কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ উৎক্ষেপণ কৰি বিশ্বক চমকিত কৰি তোলে।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উচ্চতম ন্যায়ালয়ৰ হীৰক জয়ন্তী উৎসৱৰ শুভাৰম্ভ কৰে।

২৯ **জানুৱাৰী :** টেছলাৰ মুৰব্বী ইলন মাস্কৰ ষ্টাৰ্টআপ নিউৰ'লিংকে মানৱ মস্তিষ্কত চিপ সংস্থাপন কৰি ইতিহাস ৰচনা কৰে।

৩০ **জানুৱাৰী :** গুৱাহাটীত অসমৰ চাহৰ ২০০ বছৰীয়া জয়ন্তী পালন কৰা হয়।

৩১ **জানুৱাৰী :** জয় শ্বাহ এছিয়ান ক্ৰিকেট কাউন্সিলৰ সভাপতি পদত অধিষ্ঠিত হয়।

২ **ফেব্ৰুৱাৰী :** চম্পাই ছোৰেনে ঝাৰখণ্ডৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৪ **ফেব্ৰুৱাৰী :** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম ভ্ৰমণ কৰে আৰু ১১,৬০০ কোটি টকাৰ উন্নয়নমূলক আঁচনি ঘোষণা কৰে।

- অসমৰ অমৰজ্যোতি বৰুৱাক মহিন্দ্ৰ গ্ৰুপ উদ্যোগৰ মুখ্য বিত্তীয় বিষয়া হিচাপে নিযুক্তি দিয়া হয়।

৫ **ফেব্ৰুৱাৰী :** 'দি ম'মেণ্ট'লৈ শ্ৰেষ্ঠ গ্ল'বেল মিউজিক এলবামৰ গ্ৰেমী বঁটা প্ৰদান কৰা হয়।

৭ **ফেব্ৰুৱাৰী :** যশপ্ৰীত বুমৰা আইচিচি টেষ্ট ৰেংকিঙত শীৰ্ষ স্থান লাভ কৰা প্ৰথমজন ভাৰতীয় বেগী বলাৰ হিচাপে পৰিগণিত হয়।

- উত্তৰাখণ্ড বিধানসভাই অভিন্ন দেৱানী বিধিৰ (ইউচিচি) বিধেয়ক গৃহীত কৰে।

৮ **ফেব্ৰুৱাৰী :** মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত 'ষ্টেণ্ড'ৰ (স্থান) ব্যৱস্থা নাথাকিব বুলি অসম চৰকাৰে ঘোষণা কৰে।

৯ **ফেব্ৰুৱাৰী :** বৰ্তমান ভাৰতত ৯৬.৮৮ কোটি ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰে।

- উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ এএম খানউইলকাৰক দেশৰ পৰৱৰ্তী লোকপাল হিচাপে নিযুক্তি দিয়া হয়।

১০ **ফেব্ৰুৱাৰী :** ২০৩৫ চনৰ ভিতৰত ভাৰতে মহাকাশ কেন্দ্ৰ স্থাপন কৰিব পাৰিব বুলি ইছৰ'ৱে ঘোষণা কৰে।

- ৰাজ্যত সন্মোহনী, তন্ত্ৰ-মন্ত্ৰ, বেজালিৰ দৰে চিকিৎসা অসম চৰকাৰে নিষিদ্ধ ঘোষণা কৰে।

১১ **ফেব্ৰুৱাৰী :** এএফচি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত কাটাৰে চেম্পিয়নৰ খিতাপ দখল কৰে।

- কৃষিমন্ত্ৰী অতুল বৰা অসম গণ পৰিষদ দলৰ পুনৰ সভাপতি নিৰ্বাচিত হয়।

১৩ **ফেব্ৰুৱাৰী :** অসম চৰকাৰে কাজি নেমুক জাতীয় ফলৰ স্বীকৃতি প্ৰদান কৰে।

১৫ **ফেব্ৰুৱাৰী :** উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰে ২০১৮ চনত প্ৰবৰ্তন কৰা 'ইলেকট'ৰেল বণ্ড' (electoral bond) অবৈধ বুলি ৰায় প্ৰদান কৰে।

১৬ **ফেব্ৰুৱাৰী :** বলাৰ ৰবিচন্দ্ৰন অশ্বিন টেষ্ট ক্ৰিকেটত ৫০০ উইকেট দখল কৰা দ্বিতীয়গৰাকী সফল ভাৰতীয় বলাৰৰূপে স্বীকৃত হয়।

১৭ **ফেব্ৰুৱাৰী :** বতৰ সম্পৰ্কীয় ইনছাট-৩ ডিএছ উপগ্ৰহ ইছৰ'ৱে মহাকাশত সফলভাৱে স্থাপন কৰে।

- মালয়েছিয়াত অনুষ্ঠিত এছিয়ান বেডমিণ্টন কাপত ভাৰতে (মহিলা) স্বৰ্ণ পদক লাভ কৰে।

১৮ **ফেব্ৰুৱাৰী :** প্ৰাবোত্ত চুবিয়ানটো ইণ্ডোনেছিয়াৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়।

২০ **ফেব্ৰুৱাৰী :** বিশিষ্ট লেখক তথা ৰাজনীতিবিদ শশী থাৰুৰক ফ্ৰান্সৰ সৰ্বোচ্চ অসামৰিক বঁটা 'চেভেলিয়াৰ দা লা লেজিয়ন ডি অনাৰ' প্ৰদান কৰা হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# আহোম আৰু মোগলৰ শেষ যুদ্ধ : ইটাখুলিৰ ৰণ

■ সোণালী গগৈ



১৬৭১ খৃষ্টাব্দ, শৰাইঘাটৰ যুদ্ধ। জল, স্থল উভয়তে হোৱা আহোম আৰু মোগলৰ মাজৰ এখন তয়াময়া ৰণ। বৰসেনাপতি লাচিত বৰফুকন, আতন বুঢ়াগোহাঁই, মিৰি সন্দিকৈ আদিৰ নেতৃত্বত গুৱাহাটীৰ বিভিন্ন ঠাইত মোগলৰ সৈতে আহোমৰ সন্মুখ সমৰ; এফালে, মোগল সেনাপতি ৰাম সিংহৰ নেতৃত্বত এক শৃংখলিত সৈন্যবাহিনী, আনফালে পাইকৰ দ্বাৰা গঠিত কৌশলী আহোম সৈন্য। কেইবাখনো সৰু-সুৰা যুদ্ধৰ শেষত বিখ্যাত শৰাইঘাটৰ ৰণ। ইতিমধ্যে আলাবৈ যুদ্ধত আহোম সৈন্যই পৰাজয় বৰণ কৰা বাবে মোগলৰ প্রতি বিদ্বেষ দুগুণে বৃদ্ধি পাইছিল।

অৱশেষত মানাহ নদীক সীমা কৰি মিৰজুমলাৰ দিনত মোগলে অধিকাৰ কৰা সমগ্ৰ অঞ্চল আহোমে উদ্ধাৰ কৰিলে। মানাহ নদীৰ পাৰত হাদিৰাত চকী পাতি চকীয়াল ৰখাৰ (সীমান্ত পহৰাদাৰী) ব্যৱস্থা কৰিলে। আনহাতে লাচিত বৰফুকনক স্থায়ীভাৱে নামনি অসমৰ শাসনকৰ্তা হিচাপে (বৰফুকন পদবী) নিযুক্তি দিলে।

যুদ্ধৰ সময়ত লাচিতে অত্যধিক পৰিশ্ৰম কৰাৰ ফলত স্বাস্থ্যৰ অৱনতি ঘটি অকালতে মৃত্যুমুখত পৰে। লাচিতৰ মৃত্যুৰ পাছত ককায়েক লালুকসোলাক নামনি অসমৰ বৰফুকনৰ দায়িত্ব দিলে। আনহাতে যুদ্ধবিধ্বস্ত নামনি অসমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সকলোবোৰ দিশতে থান-থিত লগোৱাৰ উদ্দেশ্যে আতন বুঢ়াগোহাঁই গুৱাহাটীৰ কোঠত থাকিল। সেই সুযোগতে ৰাজধানীত ৰজা ভঙা-পতা খেল (ষড়যন্ত্ৰৰ যুগ) আৰম্ভ হ'ল। এই ষড়যন্ত্ৰত অংশ ল'বৰ বাবে লালুকসোলা বৰফুকনেও মন মেলিলে। জয়ধ্বজ সিংহৰ ৰাজত্বকালত মিৰজুমলাৰ আক্ৰমণৰ সময়ত ৰমণী গাভৰুক মোগললৈ উপঢৌকন হিচাপে পঠাইছিল। তেওঁ আছিল লাচিত আৰু লালুকসোলাৰ ভাগিনীয়েক। লালুকসোলাই ভাগিন জোঁৱায়েকৰ সৈতে মিলি আহোম ৰাজসিংহাসনৰ উত্তৰাধিকাৰী হ'বলৈ মন মেলিলে। সেয়ে বুঢ়াগোহাঁইৰ অজ্ঞাতে লালুকসোলাই চাৰি লাখ টকাৰ বিনিময়ত মঞ্জুৰ খানক গুৱাহাটী এৰি দিলে।

নামনি অসমৰ প্ৰজাই ইতিপূৰ্বে উজনি অসমলৈ যোৱা বুঢ়াগোহাঁইক কথাটো জনালে। আতন বুঢ়াগোহাঁয়ে আগন্তুক শত্ৰুক ভেটিবলৈ গড় (চিন্তামণি গড়) সজালে। তিনিওজনা মন্ত্ৰী আৰু বিষয়াবৰ্গৰে সৈতে উজনিমুৱা লালুকসোলা বৰফুকনৰ বিশ্বনাথত ভেটা-ভেটি হ'ল। লালুকসোলা বৰফুকনে চক্ৰান্ত কৰি কলিয়াবৰত আতন বুঢ়াগোহাঁইক বধ কৰালে। পাছত বৰফুকন উজাই গৈ ৰংপুৰত চুলিকফা কোঁৱৰক নামমাত্ৰ ৰজা পাতি নিজে ৰাজকাৰ্য্য চলাবলৈ ল'লে।

তেওঁৰ এই উচ্চাকাংক্ষা কিন্তু বেছিদিন নিটিকিল। তুংখুঙীয়া ফৈদৰ কোঁৱৰ গদাপাণি ৰজা হোৱাৰ পাছত তেওঁৰ সান্দহ খোৱা বালি তল গ'ল।

গদাপাণিয়ে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আহোমৰ ৰজা হয়। ৰজা হৈয়ে গদাধৰে প্ৰথমে ৰাজ্যৰ

ভিতৰুৱা সমস্যাবিলাক সমাধান কৰিলে। ১৬৮২ খৃষ্টাব্দত গদাধৰ সিংহই সকলো পাত্ৰ-মন্ত্ৰী আৰু বিষয়াবৰ্গৰ লগত আলোচনা কৰি গুৱাহাটী উদ্ধাৰৰ বাবে সৈন্য পঠালে।

এইবাৰ দায়িত্ব দিলে লাঙ্গী বুঢ়াগোহাঁই, সলাল গোহাঁই, আলুন বৰবৰুৱা, পিকচাই ফুকন, বানমাখু ফুকন, বন্দৰ বৰফুকন, পানী ফুকন আদি বিষয়াসকলক।

তেওঁলোকে ৰাজধানীৰ পৰা ভটিয়াই আহি প্ৰথমতে বাঁহবাৰী দুৰ্গ অধিকাৰ কৰিলে। তাৰ পাছত কাকলী দুৰ্গ অধিকাৰ কৰি আহোম সৈন্য ভাগ ভাগ হৈ যুদ্ধ কৰাৰ সিদ্ধান্ত ল'লে। সেই মৰ্মে কুৰুৱা, সাউদৰ কোঠ, বৰনদীমুখ আদিত কোঠ মাৰিলে। মোগল সৈন্যই আহোমৰ ৰণ কৌশল ধৰিব নোৱাৰি মোগল সেনাপতি মঞ্চুৰ খাঁৰ নেতৃত্বত গছ নাও (পাল তৰা পানচৈ নাও) আনি বৰনৈ মুখত ফেৰ পাতি ধৰিলে। তাকে দেখি আহোম সৈন্যই নিজৰ নিজৰ কোঠৰ পৰা ওলাই গৈ আক্ৰমণ কৰিলে। আহোমৰ এনে ৰণনীতিত হতভম্ব হৈ মোগল সৈন্য পিছুৱাই যাবলৈ বাধ্য হ'ল।

আহোম বিষয়া আলুন বৰবৰুৱাই ইটাখুলি দখল কৰিলে। আহোম সৈন্যই মোগল সৈন্যক খেদি নি মানাহ নদী পাৰ কৰি থৈ আহিল। তেতিয়াৰ পৰাই মানাহ নদী আহোম আৰু মোগল সাম্ৰাজ্যৰ সীমা হৈ পৰিল। ইতিপূৰ্বে লালুকসোলা বৰফুকনে এৰি দিয়া গুৱাহাটী পুনৰ উদ্ধাৰ হ'ল।

ইটাখুলি নামে ঠাইত হোৱা এইখনেই আছিল আহোম আৰু মোগলৰ শেষ যুদ্ধ। ইংৰাজ অহালৈকে আন কোনো বিদেশী শক্তিয়ে পশ্চিম সীমাইদি অসম আক্ৰমণ কৰিবলৈ সাহ কৰা নাছিল।

শৰাইঘাটৰ যুদ্ধ (১৬৭১ খৃ.) আৰু ইটাখুলিৰ যুদ্ধ (১৬৮২ খৃ.)—এই দুয়োখন যুদ্ধৰ ভিতৰত কোনখনক শেষ যুদ্ধ বুলি কোৱা হয়, এই ক্ষেত্ৰত কিছু মত পাৰ্থক্য থকা দেখা যায়। সি যি হওক, ১৬৭১ খৃ.ত লাচিত বৰফুকনৰ নেতৃত্বত হোৱা যুদ্ধখন প্ৰকৃতাৰ্থত দুয়োটা



পক্ষই সমানে কৰা যুদ্ধ কিন্তু ইটাখুলিৰ যুদ্ধখন একপক্ষীয় যুদ্ধ বুলিহে ক'ব পাৰি। শৰাইঘাটৰ যুদ্ধত আহোম সৈন্যৰ প্ৰকৃত ৰণ-কৌশল, প্ৰজাৰ অংশগ্ৰহণ, দাঁতিয়লীয়া বা আহোমৰ কৰতলীয়া ৰজা বা শাসনকৰ্তাবিলাকৰ সহযোগিতা, স্বদেশপ্ৰেম আদিৰ সংমিশ্ৰণ, একতা, দৃঢ়তা আদি দেখা যায়। কিন্তু ইটাখুলিৰ যুদ্ধত মাথোঁ কেইজনমান আহোম বিষয়াৰ নেতৃত্বত অহা এদল সৈন্যৰ কাম-কাজৰহে উমান পোৱা যায়। শৰাইঘাটৰ যুদ্ধত দুয়োপক্ষই নিজৰ হেৰুওৱা অধিকাৰ বিচাৰি যুদ্ধ কৰিছিল। সেয়েহে দুয়োজন সেনাপতিয়ে মৰোঁ জিওঁ সোঁ অধিকৈ যুদ্ধ কৰিছিল। কিন্তু ইটাখুলিৰ যুদ্ধত মোগল সৈন্যই নামমাত্ৰ যুদ্ধ কৰি পিছুৱাই গৈছিল। শৰাইঘাটৰ যুদ্ধত মোগল সম্ৰাট আৰু আহোম ৰজাই প্ৰেৰণ কৰা সৈন্যৰ মাজত যুদ্ধ হৈছিল। ইটাখুলিৰ যুদ্ধ মোগলৰ প্ৰতিনিধি হিচাপে থকাজনৰ লগতহে হৈছিল। শৰাইঘাটৰ যুদ্ধৰ পাছত মানাহ নদীক যদিও সীমা হিচাপে নিৰ্ধাৰণ হৈছিল পৰৱৰ্তী সময়ত মঞ্চুৰ খাঁই তাক উলংঘা কৰি গুৱাহাটীলৈকে অধিকাৰ কৰি লৈছিল। কিন্তু ইটাখুলিৰ যুদ্ধৰ পাছত মানাহ নদী স্থায়ীভাৱে অসমৰ পশ্চিম সীমা নিৰ্ধাৰিত হৈছিল।

গতিকে আমি ক'ব পাৰোঁ যে শৰাইঘাটৰ যুদ্ধ যেনেকৈ এখন ঐতিহাসিক যুদ্ধ আছিল, ঠিক তেনেকৈ ইটাখুলিৰ যুদ্ধখনো কোনোগুণে কম গুৰুত্বপূৰ্ণ নাছিল। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## মই কেতিয়া আইতা হ'ম




আইতা ! সঁচাকৈ কিমান যে আদৰৰ এটা শব্দ। আইতাবোৰ স্নেহৰ ভঁৰাল। অপাৰ মৰমেৰে আইতাবোৰে নাতি-নাতিনীক ডাঙৰ-দীঘল কৰে। সাধু কথা তথা ওমলা গীত-মাতেৰে আইতাই শিশুহঁতক নিচুকায়—পাৰেমানে যতন লয়। শোটোৰা-শোটোৰ ছালৰ, বগা চুলিৰ আইতাবোৰক সকলোৱে ভাল পায়। তেনেকুৱা এজনী মৰমিয়াল আইতা হ'বলৈ তোমালোকৰ বাৰু মন যায়নে? শিশু সাহিত্যিক এলি আহমেদৰ এখন সৰু কিতাপ আছে—'মই কেতিয়া আইতা হ'ম'। কিতাপখনত আইতাক আৰু নাতিয়েকৰ মধুৰ সম্পৰ্কৰ আভাস দিয়া হৈছে। আইতাই দিয়া সু-উপদেশৰ কথাও আছে। "আইতাই কয়, সৰুৰে পৰা হেনো নিজৰ কাম নিজে কৰিবলৈ অভ্যাস কৰিব লাগে। তেতিয়া ডাঙৰ হ'লে সকলো কাম কৰিব পৰা হয়। কালৈকো বাট চাই থাকিব নালাগে। আইতাই বহুত কথা জানে। সেই কাৰণে আইতাক মোৰ খুব ভাল লাগে। মোৰো আইতাৰ দৰে হ'বৰ মন যায়। আইতাই কৈছে—ময়ো হেনো এদিন নহয় এদিন আইতাৰ দৰে হ'মেই হ'ম।" আইতাই কৰা মৰমৰ বিবৰণো মনপৰশা। —"গৰম লাগিলে বিচি দিয়ে, ঠাণ্ডা লাগিলে গৰম কাপোৰেৰে সাবটি লয়, ৰাতি শোৱাৰ সময়ত মৰম কৰি কৰি সাধুকথা কৈ কৈ মূৰে-গায়ে হাত ফুৰাই থাকে। মই ক'ব নোৱৰাকৈ টোপনি যাওঁ।"

এই কিতাপখন পঢ়িলে আইতাৰ চেনেহ-আদৰৰ অপূৰ্ব মুহূৰ্তবোৰ যেন পুনৰবাৰ উপলব্ধি কৰিব পাৰি। এই কিতাপখন অসম প্ৰকাশন পৰিষদে ১৯৯৪ চনত প্ৰকাশ কৰিছিল। এই কিতাপখনৰ ৰচক এলি আহমেদ অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট লেখিকা। তদুপৰি তেওঁ এগৰাকী চিত্ৰনাট্যকাৰ, গীতিকাৰ তথা সমাজকৰ্মী। মহিলাৰ বাবে প্ৰকাশিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন আলোচনী 'ওৰণি'ৰ তেওঁ আছিল সম্পাদিকা তথা স্বত্বাধিকাৰ। ১৯৭০ চনত এই আলোচনীখন প্ৰথম প্ৰকাশ পাইছিল। ১৯৬৭ চনত তেওঁ অসমৰ প্ৰথম মহিলা নাট্য দল গঠন কৰিছিল। সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰখনলৈ আগ বঢ়োৱা অৱদানৰ বাবে ভাৰত চৰকাৰে ২০১৭ চনত তেওঁক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। অসমীয়া শিশু সাহিত্যলৈ আগ বঢ়োৱা সামগ্ৰিক অৱদানৰ বাবে ২০১৫ চনত তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰে। তেওঁ ৰচনা কৰা কেইখনমান নাটক হ'ল—কথাটো নো কি, চাকিনা জেঠাইৰ মণি, ককাদেউতাৰ সাধু, আমি অভিনয় কৰা নাই ইত্যাদি। তেওঁৰ আন কেইখনমান গ্ৰন্থ হ'ল ৰংমনৰ মন, মণিৰাম দেৱান আদি। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

### ৰামে মাৰিলেও মৰা, ৰাৱণে মাৰিলেও মৰা



ৰাৱণে সীতাক হৰণ কৰিবৰ বাবে এক বিশেষ পৰিকল্পনা কৰিছিল। তেওঁ নিজৰ মোমায়েক মাৰীচক এটা ফুটফুটীয়া সোণৰ হৰিণাৰ ৰূপ লৈ সীতাৰ ওচৰলৈ পঠাইছিল। সীতাক প্ৰলোভিত কৰিবৰ বাবেই ৰাৱণে এই পৰিকল্পনা কৰিছিল। মাৰীচৰ এই কাম কৰিবলৈ অলপো ইচ্ছা নাছিল। কিন্তু এই কাম নকৰিলে ৰাৱণে বধ কৰিব বুলি জানিছিল। আনহাতে সোণৰ হৰিণাৰ ৰূপ লৈ গ'লেও ৰামে যে মাৰীচক মাৰিব সেই কথা নিশ্চিত আছিল। গতিকে মৃত্যু অনিবাৰ্য্য বুলি জানিয়েই মাৰীচে হৰিণাৰ ৰূপ লৈছিল। এই যোজনাটো মানুহৰ উপায়হীন অৱস্থা বুজাবলৈ ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য : দুৰ্গম ঠাইখনলৈ বদলি কৰিছে যেতিয়া যাবই লাগিব—নহ'লে চৰকাৰৰ ৰোষত পৰিব লাগিব—কথাতে নকয় জানো, ৰামে মাৰিলেও মৰা, ৰাৱণে মাৰিলেও মৰা। ❖**

### ৰজাৰ জীও খৰিভাৰীত পৰে

ৰজাৰ জীৰ ভাগ্য স্বাভাৱিকতে সুপ্ৰসন্ন হয় বুলি ভবা হয়। ৰজাৰ জীয়েকৰ বিবাহ প্ৰতিপত্তিশীল অন্য ৰাজকোঁৱৰৰ সৈতে হোৱাৰেই সম্ভাৱনা অধিক। কিন্তু ভাগ্যৰ দুৰ্বিপাকত কেতিয়াবা ৰজাৰ জীয়েক খৰিভাৰীৰ লগত বিয়াত বহিব লগা ঘটনাও ঘটে। অদৃষ্টৰ বিধানৰ কথা বুজাবলৈ এই যোজনাফাকি ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য : ভাগ্যৰ লিখন আমি সাধাৰণ মানুহে কি বুজি পাম ! দিন বেয়া পৰিলে ৰজাৰ জীও খৰিভাৰীত পৰে। ❖**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## ছদ্মনামৰ আঁৰৰ কথা

বহু লোকে লেখা-মেলা কৰোঁতে নিজৰ প্ৰকৃত নামটো ব্যৱহাৰ নকৰি আন নাম ব্যৱহাৰ কৰে। লেখকসকলে বিভিন্ন উদ্দেশ্যত অন্য নাম অৰ্থাৎ ছদ্মনাম ব্যৱহাৰ কৰে। কোনো লেখকৰ প্ৰকৃত নাম অতি দীঘল হ'লে বা উচ্চাৰণ কৰিবলৈ কঠিন হ'লে অনেকে লেখা-মেলাৰ ক্ষেত্ৰত ছদ্মনাম ব্যৱহাৰ কৰে। তদুপৰি আন কাৰোবাৰ নামৰ লগত সাদৃশ্য থকাৰ কাৰণে অথবা বিশেষ ধৰণৰ লেখাৰ বাবে এজন লেখকে একোটা সুকীয়া নাম গ্ৰহণ কৰে। বাতৰি কাকত-আলোচনীৰ প্ৰকাশ হ'বলৈ লোৱাৰ পৰাই ছদ্মনাম লোৱাৰ কথাটোও প্ৰচলিত হয়। অষ্টাদশ শতিকাত প্ৰথম ছদ্মনামৰ ব্যৱহাৰ হোৱা বুলি জনা যায়। ছদ্মনাম ব্যৱহাৰ কৰাৰ প্ৰাথমিক কাৰণ আছিল লেখাৰ জৰিয়তে মতামত প্ৰকাশ কৰোঁতে ৰাজনৈতিক ৰোষত পৰাৰ আংশকা তথা ইয়াৰ পৰা আত্মৰক্ষা কৰাৰ চেষ্টা। ছদ্মনাম ব্যৱহাৰৰ প্ৰথম সময়ছোৱাত আটাইতকৈ বিখ্যাত ছদ্মনামটো আছিল ভল্টেয়াৰ (Voltaire)। ১৭১৮ চনত ফৰাচী প্ৰবন্ধকাৰ, দাৰ্শনিক ফ্ৰাঁচোৱা মাৰি আৰুয়েটে (Francois Marie Arowet) এই ছদ্মনাম গ্ৰহণ কৰিছিল। ঊনবিংশ শতিকাত বহু লেখিকাই ছদ্মনাম হিচাপে পুৰুষৰ নাম ব্যৱহাৰ কৰিছিল। ইংৰাজ মহিলা ঔপন্যাসিক মেৰী এন ইভান্সে জৰ্জ এলিয়ট ছদ্মনামত বহুকেইখন সুখপাঠ্য উপন্যাস লিখিছিল।

অসমীয়া সাহিত্যতো বহু লেখকে ছদ্মনামেৰে সাহিত্য চৰ্চা কৰি আহিছে। বহু সময়ত তেওঁলোকৰ প্ৰকৃত নামটো সকলোৰে জ্ঞাত হ'লেও ছদ্মনামটোহে অধিক জনপ্ৰিয় হৈ পৰিছিল। অসমীয়া সাহিত্যিকৰ কেইটামান বিখ্যাত ছদ্মনাম এনে ধৰণৰ—

| প্ৰকৃত নাম | ছদ্ম নাম |
|---|---|
| চৈয়দ আব্দুল মালিক | অজগৰ |
| ড° ইন্দিৰা গোস্বামী | মামণি ৰয়ছম গোস্বামী |
| ড° নিৰ্মলপ্ৰভা বৰদলৈ | নীলা বাইদেউ |
| বিৰিঞ্চি কুমাৰ বৰুৱা | বীণা বৰুৱা |
| নৱকান্ত বৰুৱা | এখুদ ককাইদেউ/ সীমা দত্ত |
| ৰেৱতী মোহন দত্ত চৌধুৰী | শীলভদ্ৰ |
| ড° ভবেন্দ্ৰ নাথ শইকীয়া | সত্যপ্ৰিয় পাঠক/সঞ্জয় |
| ড° নগেন দত্ত | এণ্ডি খুৰা |
| সুৰেন্দ্ৰনাথ মেধি | সৌৰভ কুমাৰ চলিহা |
| প্ৰমোদ চন্দ্ৰ তামুলী | শান্তনু তামুলী। ইত্যাদি। ❖ |

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## ফাকুৱা

ফাকুৱা হিন্দুসকলৰ এটি আনন্দৰ উৎসৱ। ফাগুন মাহৰ পূৰ্ণিমা তিথিত ৰঙৰ এই উৎসৱটো উদ্‌যাপন কৰা হয়। এই ফাকুৱা উৎসৱটোক হোলী, দৌলোৎসৱ, ফল্গুৎসৱ, ফাগুৱা, মদনোৎসৱ আদি বিভিন্ন নামেৰে জনা যায়। হিন্দুসকলৰ আৰাধ্য দেৱতা শ্ৰীকৃষ্ণ বা বিষ্ণুক উদ্দেশ্য কৰি এই উৎসৱ পালন কৰা হয়। বিভিন্ন ধৰ্মীয় তথা লৌকিক পৰম্পৰাৰে পালন কৰা ফাকুৱা বা হোলী উৎসৱৰ সৈতে বিভিন্ন পৌৰাণিক আখ্যান জড়িত হৈ আছে।

অসমত ফাকুৱা উৎসৱক ফল্গুৎসৱ বা দৌল উৎসৱ বুলি কোৱা হয়। অসমৰ বৰপেটা সত্ৰত মহা ধুমধামেৰে দৌল উৎসৱ পালন কৰা হয়। এই দৌল উৎসৱৰ আৰম্ভণি কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। তেওঁ বৰদোৱাত প্ৰথমে এই উৎসৱ পালন কৰিছিল। আনহাতে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত দৌল উৎসৱৰ প্ৰচলন কৰিছিল বৰপেটা সত্ৰৰ মথুৰা দাস বুঢ়া আতাই ১৫১৮ শকত। স্থানীয় ভাষাত এই উৎসৱক 'দেউল' বুলি কোৱা হয়। বৰপেটাত এই উৎসৱ তিনিৰ পৰা পাঁচদিনলৈকে পালন কৰা হয়। ইয়াৰ প্ৰথম দিনটোক 'গোন্ধযাত্ৰা', দ্বিতীয় দিনটোক 'ভৰদেউল' আৰু তৃতীয় দিনটোক 'সুঁৱেৰী' বোলা হয়। এই উৎসৱত এজনে আনজনক ফাকুৰ ৰং সানি আনন্দ কৰাৰ লগতে বিভিন্ন গীত-পদো গায়। প্ৰথম অৱস্থাত মহাপুৰুষ দুজনাই ৰচনা কৰা কীৰ্তন ঘোষা, নামঘোষা আদিৰ পৰা পদ চয়ন কৰি দৌলোৎসৱত গীত গোৱা হৈছিল। পৰৱৰ্তী সময়ত এই উৎসৱক কেন্দ্ৰ কৰি প্ৰাচীন কবিৰ গীত-পদৰ লগতে আধুনিক কবি-গীতিকাৰৰ গীতো জনপ্ৰিয় হ'বলৈ ধৰে। এই গীতসমূহক হোলী গীত বুলি কোৱা হয়। ❖

## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, এইবাৰৰ সংখ্যাত কেইটামান শব্দৰ অৰ্থৰ পাৰ্থক্য জানি থওঁ আহা।

| শব্দ | অৰ্থ | প্ৰায়োগিক বাক্য |
|---|---|---|
| বেপেৰুৱা | বেপাৰ বিষয়ক বা বেপাৰ সম্বন্ধীয়। | মই বেপেৰুৱা মানুহ, ঘৰত থাকিবলৈ ক'তনো সময় পাওঁ? |
| বেপৰোৱা | কালৈকো ভয়-সংকোচ নকৰা | ৰাহুল দিনকদিনে বেপৰোৱা স্বভাৱৰ হৈ পৰিছে। |
| দৰিদ্ৰ | দুখীয়া | মানুহজন বৰ দৰিদ্ৰ। |
| দাৰিদ্ৰ্য | দুখীয়াৰ অৱস্থা বা দুৰ্দশা | ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ২১ শতাংশ লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে। ❖ |

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## অসমৰ নদ-নদী



**ডিব্ৰু নদী (ইংৰাজী : Dibru River) :** ডিব্ৰুগড় নগৰ তথা ডিব্ৰুগড় জিলাখনৰ নাম এই নৈখনৰ নামেৰে নামকৰণ কৰা হৈছে। ডিব্ৰু নৈখন তিনিচুকীয়া জিলাৰ পূব সীমাৰ বুঢ়ী দিহিং সংৰক্ষিত বনৰ মাজৰ খেৰেম নামৰ ঠাইৰ পৰা ডিব্ৰুজান নামেৰে ওলাই আহি ডুমডুমা, বালিজান, চাবুৱা হৈ ডিব্ৰুগড় নগৰৰ পৰা ১৮ কিমি. পূবমুৱা হৈ ব্ৰহ্মপুত্ৰত পৰিছে। ডিব্ৰু নৈৰ দক্ষিণফালে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখন অৱস্থিত। অসমৰ পৰ্য্যটন স্থানসমূহৰ ভিতৰত এইখন এখন উল্লেখযোগ্য স্থান। এইখন ৰাষ্ট্ৰীয় উদ্যান অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বিস্তৃত হৈ আছে। উল্লেখযোগ্য যে ১৯৯৯ চনত ৩৪০ বৰ্গ কিমি. মাটিকালিৰ ডিব্ৰু-ছৈখোৱা অভয়াৰণ্যখনক ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান হিচাপে চৰকাৰী স্বীকৃতি প্ৰদান কৰা হৈছিল। ❖

**নামদাং নদী (ইংৰাজী : Namdang River) :** নামদাং নৈখন প্ৰকৃততে দিখৌ নৈৰ উপনৈ। নগা পাহাৰৰ পাদদেশত উৎপত্তি হৈ নামদাং নদীখন ২ কিমি. বৈ আহি অসমৰ শিৱসাগৰ আৰু নাগালেণ্ডৰ টুৱেনচাং জিলাৰ সীমাত সোমায়। নামদাং নৈখনে ৰঙাগৰাৰ পৰা ৩ কিমি. আহি মেকিপুৰ চাহ বাগিচা আৰু নাজিৰা-গেলেকী পথ পাৰ হৈ পশ্চিমমুৱা হয়। ইয়াৰ পৰা শলগুৰি গাঁও পাৰ হৈ উত্তৰ-পশ্চিমমুৱা হয়। আকৌ তাৰ পৰা জেৰেঙা বিলৰ দক্ষিণেদি আহি চাৰিঙীয়া জানৰ লগ হৈ আকৌ উত্তৰমুৱা হৈ ৩০০ বছৰ পুৰণি নামদাঙৰ শিলৰ সাঁকোৰ তলেদি পাৰ হৈ সামান্য উত্তৰত দিখৌ নদীত পৰিছে। নামদাং নৈৰ পানীভাগ কৃত্ৰিমভাৱে পূৰ্বৰ মিটং জানত পেলোৱাৰ বাবে মিটংখনেদি ইয়াৰ পানী ববলৈ আৰম্ভ কৰে। সেয়েহে মিটং নদীখন এখন লেখৰ নৈ হৈ পৰে আৰু স্বৰ্গদেউ ৰুদ্ৰ সিংহই সজোৱা বুৰঞ্জীপ্ৰসিদ্ধ নামদাঙৰ শিলৰ সাঁকোৰ তলত নামদাং পোত খাই প্ৰায় নোহোৱা হৈ পৰে। ❖



নামদাং নদীৰ শিলৰ সাঁকো

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

### প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| বিধি, আইন | law | আখ্যান | legend |
| আইন মহাবিদ্যালয় | law college | উত্তৰাধিকাৰ | legacy |
| উকীল | lawyer | বৈধ, বিধিসন্মত | legal |
| বিধিসন্মত | lawful | আইনী উপদেষ্টা | legal advisor |
| আইন আৰু শৃংখলা | law and order | বিধানসভা | legislative assembly |
| সামৰিক আইন | martial law | বিধান পৰিষদ | legislative council |
| সামুদ্ৰিক আইন | marine law | বিধানমণ্ডল | legislature |
| আইন বিষয়া | law officer | কুষ্ঠ ৰোগ | leprosy |
| সীহ | lead | মহলদাৰ, পট্টাদাৰ | lessee |
| আজৰি, অৱসৰ | leisure | পত্ৰ, চিঠি | letter |
| সংঘ, গোষ্ঠী | league | উদাৰতা, স্বতন্ত্ৰতা | liberty |
| সহনশীল, সহিষ্ণু | lenient | জবাবদিহি | liable |
| ইজাৰ | lease | ব্যংগাত্মক কবিতা | limerick |
| ছুটী | leave | ৰৈখিক | linear ❖ |
| স্পষ্ট, মনিব পৰা | legible | | |
| বক্তৃতা | lecture, speech | | |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# মানৱতাৰ দেৱাল—এক ব্যতিক্ৰমী প্ৰয়াস

■ যুথিকা পাটোৱাৰী




জনসাধাৰণৰ কল্যাণো হ'ব। এনে চিন্তাৰেই ফচল মানৱতাৰ দেৱাল। ভেৰিগুে প্ৰথমতে সুচল ঠাইত থকা এখন দেৱাল নিৰ্বাচন কৰি লৈছিল। প্ৰথম অৱস্থাত ইয়াত কাপোৰ, আচবাব আদিহে মানুহে দান কৰিছিল। পাছলৈ এই দেৱালৰ জৰিয়তে খাদ্য, জোতা, ঘৰুৱা সামগ্ৰী, কিতাপ, ঔষধ আদিও উপলব্ধ হয়। আনকি ইয়াত বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষাও কৰা হয়।

আমাৰ অপ্ৰয়োজনীয় বুলি ভবা সামগ্ৰীসমূহেই অন্য কাৰোবাৰ বাবে হ'ব পাৰে অতি প্ৰয়োজনীয় সামগ্ৰী, হয়তো এনে সামগ্ৰীয়েই পূৰাব পাৰে তেওঁলোকৰ বিভিন্ন প্ৰয়োজন। কাৰোবাৰ অপ্ৰয়োজনীয় বস্তুৰে অন্য কাৰোবাৰ প্ৰয়োজন পূৰোৱাৰ উদ্দেশ্যে সৃষ্টি হৈছিল 'মানৱতাৰ দেৱাল' নামৰ এক ধাৰণাৰ।

'মানৱতাৰ দেৱাল' এনেকুৱা এখন দেৱাল, যিখন দেৱালৰ কাষত যিকোনো ব্যক্তিয়ে তেওঁৰ অপ্ৰয়োজনীয় সামগ্ৰীসমূহ থৈ যায়, আৰু অন্য কাৰোবাৰ প্ৰয়োজন হ'লে সেই সামগ্ৰীসমূহ তাৰ পৰা লৈ যায়। এনেদৰে 'দেৱাল' এখন সামাজিক কল্যাণ কেন্দ্ৰস্বৰূপ হৈ পৰে। এইখন এখন সাধাৰণ দেৱাল নহয়। এইখন এখন সপোনৰ দেৱাল। এই সপোন দেখিছিল পাকিস্তানৰ ৰয়েল ভেৰিগু নামৰ এজন যুৱকে ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহত। তেওঁৰ একমাত্ৰ উদ্দেশ্য আছিল দৰিদ্ৰ আৰু ভোকাতুৰ মানুহৰ জীৱন সংগ্ৰামৰ যুঁজখনত সহায়ক হোৱা। কিন্তু প্ৰয়োজনীয় সামাজিক সমৰ্থন আৰু অৰ্থৰ অভাৱত ই কেইবাবছৰো সফলতাৰ মুখ দেখা নাছিল।

ৰয়েল ভেৰিগুে কিছু ব্যতিক্ৰমী কাৰ্য্যপন্থা আৰম্ভ কৰিবলৈ বিচাৰিছিল। তেওঁ বিচাৰিছিল এনে এটা ধাৰণাৰ জন্ম দিবলৈ য'ত অজস্ৰ ধনৰ প্ৰয়োজন নহ'ব, কিন্তু

'মানৱতাৰ দেৱাল'ৰ প্ৰধান উদ্দেশ্য তিনিটা। ইয়াৰ প্ৰথম উদ্দেশ্য হ'ল ভোকাতুৰ মানুহৰ ভোকৰ অৱসান ঘটোৱা, সকলোকে খাদ্যৰ ক্ষেত্ৰত নিৰাপত্তা দিয়া আৰু সুষম খাদ্যৰ যোগান ধৰা।

দ্বিতীয়তে, সমাজৰ সকলো স্তৰৰ মানুহৰ মাজৰ পৰা দৰিদ্ৰতা বিনাশ কৰা এই দেৱালৰ আন এক উদ্দেশ্য। কেৱল পাকিস্তানতে নহয়, গোটেই বিশ্বৰ পৰাই দৰিদ্ৰতা নাশ কৰা এই দেৱাল প্ৰতিষ্ঠা কৰাৰ এক প্ৰধান উদ্দেশ্য। ইয়াৰ বাবে দেৱাল প্ৰতিষ্ঠাৰ লগত জড়িত কৰ্মীসকলে সমাজৰ বিধৱা মহিলা আৰু অনাথসকলৰ বাবে নিয়োগৰ ব্যৱস্থা কৰে।

তৃতীয়তে, সমাজৰ 'সকলোৰে বাবে সুস্বাস্থ্য' মানৱতাৰ দেৱালৰ এক প্ৰধান উদ্দেশ্য। দুখীয়া শ্ৰেণীৰ লোকসকললৈ বিনামূলীয়া ঔষধ যোগানৰ লগতে 'মানৱতাৰ দেৱাল'ৰ জৰিয়তে চিকিৎসকৰ দ্বাৰা বিনামূলীয়া স্বাস্থ্য পৰীক্ষাও কৰোৱা হয়।

২০১৬ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা মানৱতাৰ দেৱালৰ ধাৰণাটো সক্ৰিয় হয়। এই দেৱালখন সমাজৰ দাতাসকলৰ বাবে ২৪ ঘণ্টাৰ বাবে খোলা থাকে যাতে দুখীয়া আৰু পিছপৰা শ্ৰেণীৰ লোকে ইয়াৰ পৰা সামগ্ৰীসমূহ সহজে যিকোনো সময়তে লৈ যাব পাৰে।

ইয়াৰ লগত জড়িত কৰ্মীসকলে ‘মানৱতাৰ দেৱাল’খন সঁচা অৰ্থত কাৰ্য্যকৰী কৰিবলৈ দিনে-নিশাই কষ্ট কৰে আৰু এই দেৱালখন এখন ‘আশাৰ আৰ্হি’ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে বিচাৰে যাতে এই মডেল প্ৰতিখন দেশ, প্ৰতিখন চহৰে অনুকৰণ কৰে। তেওঁলোকৰ আশা, এই দেৱালে এদিন সমাজৰ দুখীয়া শ্ৰেণীৰ অভাৱ নাইকিয়া কৰিব।

‘মানৱতাৰ দেৱাল’ৰ ধাৰণাটো যদিও মাত্ৰ এজন মানুহে জন্ম দিছিল, এইটো এতিয়া এটা প্ৰকল্প হিচাপে বহু হাজাৰ মানুহে গ্ৰহণ কৰিছে। ভাৰত, পাকিস্তান, বাংলাদেশ আদি দেশত এই দেৱালে জনপ্ৰিয়তা লাভ কৰিছে। ভাৰতৰ পুৰী, নাগপুৰ, জামছেদপুৰ আদি ঠাইত মানৱতাৰ দেৱালে প্ৰতিষ্ঠা লাভ কৰিছে। শেহতীয়াকৈ এই দেৱালৰ লগত জড়িত কৰ্মীসকলে মানৱতাৰ দেৱালৰ ‘ভ্ৰাম্যমাণ সংস্কৰণ’ৰ পৰিকল্পনা কৰিছে যাতে সচৰাচৰ চৰকাৰ, বেচৰকাৰী সংস্থা (NGO) বা অন্য সংগঠনসমূহে ঢুকি নোপোৱা পিছপৰা অঞ্চলৰ দুখীয়া লোক এই দেৱালৰ দ্বাৰা উপকৃত হ’ব পাৰে।

আৰম্ভণিৰ পৰা এতিয়ালৈ বহু হাজাৰ মানুহ এই ব্যতিক্ৰমী প্ৰচেষ্টাৰ দ্বাৰা লাভবান হৈছে। ইয়াৰ অবিহনে তেওঁলোকৰ বহুতেই অভাৱত দিন নিয়ালেহেঁতেন। কিছুমানে খাদ্য-চিকিৎসাৰ অভাৱত মৃত্যুবৰণো কৰিলেহেঁতেন। বিধবা, অনাথ তথা অভাৱী লোকৰ আশাৰ থলী এই মানৱতাৰ দেৱালে বিশ্বজুৰি বহুল প্ৰসাৰ লাভ কৰক। ❖



# কেৰিয়াৰ হিচাপে যোগ

■ **অপৰ্ণা দেৱী**

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, কোনো ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু সামাজিক মংগলময়তাই হ’ল সুস্বাস্থ্য। শৰীৰ, মন, সমাজ, পৰিৱেশ সকলোৰে বিকাশৰ বাবে এক শক্তিশালী আহিলা হ’ল যোগ। সিন্ধু সভ্যতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত যোগ চৰ্চাৰ বিভিন্ন প্ৰমাণ পোৱা যায়। প্ৰাচীন কালৰে পৰাই যোগৰ গুৰুত্ব আছিল যদিও বৰ্তমান কালত যোগৰ গুৰুত্ব দিনে দিনে বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ অধীনত যোগ শিক্ষাৰ স্নাতকোত্তৰ ডিগ্ৰী বা ডিপ্ল’মা গ্ৰহণ কৰাৰ পাছত আগ্ৰহী আৰু ইচ্ছুকসকলে যোগবিদ্যাক এক কেৰিয়াৰ হিচাপে নিৰ্বাচন কৰিব পাৰে। কেৰিয়াৰ কাউঞ্চেলৰসকলে যোগবিদ্যাৰ প্ৰধানকৈ দহটা কেৰিয়াৰ বিকল্পৰ বিষয়ে আলোকপাত কৰিছে। সেয়া হ’ল—

- যোগগুৰু (yoga teacher)
- যোগ এৰ’বিকছ নিৰ্দেশক (yoga aerobics instructor)
- উৎসৱ সংগঠক বা আহ্বায়ক (festival organizer)
- ক্লিনিকেল ছাইক’লজিষ্ট (clinical psychologist)
- ব্ৰেণ্ড এম্বাছেদৰ (brand ambassador)
- ডিজে (DJ) (যোগৰ লগত সংগীত সংযোগ কৰি মানুহক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত)
- আয়ুৰ্বেদ চিকিৎসাৰ পৰামৰ্শদাতা (consultant of Ayurbedic treatment)
- যোগ বিদ্যাৰ গৱেষক (yoga researcher)
- যোগ থেৰাপিষ্ট (yoga therapist) আৰু
- উদ্যোগী (entrepreneur)।

যোগবিদ্যাৰ কঠোৰ অনুশীলনে এগৰাকী যোগবিদক গুৰুলৈ পৰিবৰ্তিত কৰে। যোগগুৰুগৰাকীয়ে শাৰীৰিক সুস্থতা আৰু মানসিক সুস্থতাৰ এক প্ৰতীক হিচাপে নিজকে প্ৰস্তুত কৰি বিভিন্ন শ্ৰেণীৰ লোকক



যোগশিক্ষা প্ৰদান বা যোগবিদ্যা অভ্যাস কৰাব পাৰে। এৰ'বিকছৰ এগৰাকী প্ৰশিক্ষকে এৰ'বিকছৰ বিভিন্ন কাৰ্য্যকলাপৰ লগতে যোগক সংযোগ কৰি, বিভিন্ন ব্যায়ামৰ মাধ্যমেদি যোগাসনক এক আনন্দদায়ক ক্ৰীড়া হিচাপে প্ৰদৰ্শন কৰি এক শ্ৰেণীৰ লোকক আকৃষ্ট কৰিব পাৰে। যোগ বৃত্তিত নিয়োজিতসকলে আমাৰ দেশৰ লগতে বিদেশতো উৎসৱৰ সংগঠক বা আহ্বায়ক হিচাপে সেৰা আগ বঢ়াব পাৰে। ইউৰোপৰ যোগ ফেষ্টিভেল (Yoga festival), বালি স্পিৰিট ফেষ্টিভেল (Bali spirit festival) আদিয়ে দেশী-বিদেশী বহুতো পৰ্য্যটকক আকৰ্ষণ কৰে। যোগৰ সৈতে সংগীতৰ সমাহাৰে সৃষ্টি কৰা সেই উৎসৱসমূহ মানুহৰ সু-ৰুচিবোধ গঢ়ি তোলাত সহায়ক হৈছে। মানসিক তথা আবেগিকভাৱে অৱসাদগ্ৰস্ত লোকক যোগৰ অনুশীলনৰ জৰিয়তে এগৰাকী যোগগুৰুৱে সম্পূৰ্ণ সুস্থ কৰি তুলিব পাৰে। সেই ক্ষেত্ৰত যোগগুৰুগৰাকীয়ে ক্লিনিকেল ছাইক'লজিষ্ট হিচাপে সেৱা আগ বঢ়াব পাৰে। যোগৰ লগত জড়িত বিভিন্ন সা-সামগ্ৰী আদিৰ বিষয়ে মানুহক অৱগত কৰাবলৈ, বাক্‌পটু যোগবিদে ব্ৰেণ্ড এম্বাছেদৰ হিচাপে সেৱা আগ বঢ়াব পাৰে। যোগগুৰুসকলে প্ৰাকৃতিক চিকিৎসাৰ (naturopathy) জৰিয়তে ৰোগৰ নিদান দি সেৱা আগ বঢ়াব পাৰে। বিকল্প চিকিৎসাত বিশ্বাসীসকলৰ বাবে যোগ প্ৰাকৃতিক চিকিৎসাৰ এক ফলপ্ৰসূ চিকিৎসা পদ্ধতি হিচাপে বিবেচিত হৈছে।

যোগ শিক্ষাৰ লগতে যোগবিদ্যাৰ ক্ষেত্ৰখনত যোগ সম্পৰ্কে কৰা গৱেষণা, যোগৰ ইতিহাস অধ্যয়ন আদিয়ে যোগ থেৰাপী বা যোগ চিকিৎসাত অৰিহণা যোগায়। যোগ থেৰাপিষ্টসকলে যোগৰ লগতে ধ্যানৰো অনুশীলন কৰায়। বিভিন্ন স্বাস্থ্যকেন্দ্ৰ, নিচা নিৰাময় কেন্দ্ৰ আদিত যোগৰ ভূমিকা এক অপৰিহাৰ্য্য অংগ। যোগৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বহুতো যোগ শিক্ষাৰে শিক্ষিত ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ্থীয়ে নিজাববীয়াকৈ যোগ কেন্দ্ৰ স্থাপন কৰি যোগ শিক্ষাৰ সুবিধা প্ৰদান কৰিব পাৰে। এই কেন্দ্ৰসমূহে বহুতকে নিয়োগৰ সুবিধাও প্ৰদান কৰিব পাৰে। যোগৰ প্ৰণালীবদ্ধ শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত যোগ শিক্ষা কেন্দ্ৰসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে যোগ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ লাভতো সহায় কৰিব। ❖

## কুইজৰ উত্তৰসমূহ

১। নিউজিলেণ্ড ২। ২৪ জানুৱাৰী ৩। অলিম্পিকত অংশ লোৱা তেওঁ প্ৰথম ভাৰতীয় মহিলাৰূপে পৰিগণিত হৈছিল ৪। কুচিপুড়ী ৫। কিৰণ দেশাই আৰু অনিতা দেশাই ৬। ড° ভূপেন হাজৰিকা । চলচ্চিত্ৰখন শকুন্তলা ৭। পি ভি সিন্ধু ৮। ড° বাণীকান্ত কাকতি ৯। দুলাল ৰয় ১০। সৰ্বাধিক ১১ টাকৈ অস্কাৰ বঁটা লাভ কৰিছে এই তিনিখন ছবিয়ে ১১। কহিনুৰ থিয়েটাৰ ১২। ড° লক্ষ্মীনন্দন বৰা ১৩। Quick Response Code ১৪। কঁঠাল। ৰাজ্যিক ফল ১৫। পাৰ্বতী বৰুৱা ❖


# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :**


প্ৰতিটো প্ৰশ্নতে কিছুমান নিয়মৰ ওপৰত ভিত্তি কৰি কিছুমান সংখ্যা চিত্ৰৰ সৈতে দিয়া আছে। তাৰে এটা স্থান খালী আছে আৰু তাত '?' চিন দিয়া হৈছে। '?' চিনৰ ঠাইত বিকল্প উত্তৰবোৰৰ পৰা কোনটো সংখ্যা বহিব নিৰ্ণয় কৰা।

1.





a) 76 b) 81 c) 72 d) 91

2.





a) 200 b) 100 c) 400 d) 33

3.




a) 6 b) 3 c) 8 d) 2

4.




a) 25 b) 16 c) 100 d) 49

5.




a) 7 b) 6 c) 16 d) 9

6.




a) 90 b) 100 c) 80 d) 63

7.

| | |
|---|---|
| 4 | 63 |

| | |
|---|---|
| 5 | 124 |

| | |
|---|---|
| 7 | 342 |

| | |
|---|---|
| ? | 215 |

a) 3 b) 8 c) 10 d) 6

## উত্তৰসমূহ

1. উত্তৰ :

প্ৰথমটো চিত্ৰত $30 \div 5 = 6$

আৰু $6^2 = 36$

দ্বিতীয়টো চিত্ৰত $49 \div 7 = 7$

আৰু $7^2 = 49$

গতিকে, তৃতীয়টো চিত্ৰত $72 \div 8 = 9$

আৰু $9^2 = 81$

∴ '?' চিনৰ ঠাইত 81 বহিব।

2. উত্তৰ :

দ্বিতীয় চিত্ৰত $10 \times 12 = 120$

তৃতীয় চিত্ৰত $50 \times 30 = 1500$

গতিকে, প্ৰথম চিত্ৰত $25 \times 8 = 200$

∴ '?' চিনৰ ঠাইত 200 বহিব।

3. উত্তৰ : প্ৰথম চিত্ৰত $4 \times 3 = 12$

$12 \div 2 = 6$

$6^2 = 36$

তৃতীয় চিত্ৰত $5 \times 6 = 30$

$30 \div 6 = 5$

$5^2 = 25$

দ্বিতীয় চিত্ৰত $3 \times 8 = 24$

$24 \div 2 = 12$

$12^2 = 144$

∴ '?' চিনৰ ঠাইত 2 বহিব।

4. উত্তৰ : প্ৰথম চিত্ৰত $5 \times 6 = 30$

$30 \div 2 = 15$

$15^2 = 225$

দ্বিতীয় চিত্ৰত $10 \times 3 = 30$

$30 \div 5 = 6$

$6^2 = 36$

তৃতীয় চিত্ৰত $8 \times 9 = 72$

$72 \div 18 = 4$

$4^2 = 16$

∴ '?' চিনৰ ঠাইত 16 বহিব।

5. উত্তৰ : প্ৰথম চিত্ৰত $4^3 + 10 = 74$

দ্বিতীয় চিত্ৰত $5^3 + 10 = 135$

চতুৰ্থ চিত্ৰত $10^3 + 10 = 1010$

তৃতীয় চিত্ৰত $6^3 + 10 = 226$

∴ '?' চিনৰ ঠাইত 6 বহিব।

6. উত্তৰ : প্ৰথম চিত্ৰত $5^2 + 5 = 30$

দ্বিতীয় চিত্ৰত $4^2 + 4 = 20$

তৃতীয় চিত্ৰত $7^2 + 7 = 56$

চতুৰ্থ চিত্ৰত $9^2 + 9 = 90$

∴ '?' চিনৰ ঠাইত 90 বহিব।

7. উত্তৰ :

প্ৰথম চিত্ৰত $4^3 - 1 = 64 - 1 = 63$

দ্বিতীয় চিত্ৰত $5^3 - 1 = 125 - 1 = 124$

তৃতীয় চিত্ৰত $7^3 - 1 = 343 - 1 = 342$

চতুৰ্থ চিত্ৰত $6^3 - 1 = 216 - 1 = 215$

∴ '?' চিনৰ ঠাইত 6 বহিব। ◎

# অসমৰ গড়

■ চেহনাজ আখতাৰ আহমেদ



অসমৰ সমাজ-জীৱন, স্থাপত্য, কলা-সংস্কৃতি আদি সকলো দিশতে আহোমসকলৰ অৱদান অতুলনীয়। তদুপৰি ৰাজ্যখনৰ ৰক্ষণাবেক্ষণৰ বাবে তেওঁলোকে লোৱা সকলো পদক্ষেপৰ পৰিকল্পনা আকৰ্ষণীয় আৰু নিখুঁত আছিল। শত্ৰুৰ আক্ৰমণৰ পৰা ৰাজ্যখন ৰক্ষা কৰিবলৈ আহোমসকলে নিৰ্মাণ কৰা এক বিশেষ গঠন তথা পদ্ধতি হ'ল গড়সমূহ। ৰাজ্যখনত বিভিন্ন সময়ত বিশেষ প্ৰয়োজন অনুসৰি এই গড়সমূহ নিৰ্মাণ কৰা হৈছিল। গড়সমূহ কি সামগ্ৰীৰে তৈয়াৰ কৰা হৈছিল তাৰ ওপৰত ভিত্তি কৰি প্ৰাথমিকভাৱে গড়টোৰ নামকৰণ কৰা হৈছিল। যেনে—মাটিৰে নিৰ্মাণ হ'লে মাটিৰ গড়, ইটাৰে নিৰ্মাণ হ'লে ইটাৰ গড় ইত্যাদি। সময়ৰ লগে লগে এই গড় নিৰ্মাণৰ কৌশল উন্নত হৈ গৈ থাকে। শিৱসাগৰ জিলাত অৱস্থিত গড়গাঁও আহোম ৰাজ্যৰ ৰাজধানী আছিল। গড়গাঁও ৰাজকাৰেঙৰ চাৰিওফালে তিনিটা গড় আছিল। ইয়াৰে এটা গড় আছিল ৰাজগড়। এই গড় ভঙা ইটা আৰু মাটিৰে নিৰ্মিত। গড়টো এনেদৰে নিৰ্মাণ হৈছিল যে পহৰাদাৰে তাত খোজ কাঢ়ি পহৰা দিবও পাৰিছিল। গড়টোত বৰ দুৱাৰ, পানী দুৱাৰ আৰু ন দুৱাৰ বুলি তিনিখন দুৱাৰ আছিল। বৰ দুৱাৰেদি কেৱল উচ্চপদস্থ বিষয়াসকলেহে অহা-যোৱা কৰিব পাৰিছিল। ন দুৱাৰেদি ফুকন, হাজৰিকা আদি বিষয়াসকল আৰু পানী দুৱাৰেদি কেৱল মহিলাসকল অহা-যোৱা কৰিছিল। উল্লেখযোগ্য যে গড়গাঁৱৰ এই গড়ত এখন গুপ্ত দুৱাৰো আছিল। ৰাজগড়ৰ ভিতৰফালে আছিল ভিতৰ গড় নামৰ এটা গড় আৰু ভিতৰ গড়ৰ ভিতৰফালে আছিল ইটাৰ গড়। কোনো বহিঃশত্ৰুৱে যাতে সহজে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে গড়বোৰৰ বাহিৰৰ ফালে খাৱৈ খন্দা হৈছিল। এই খাৱৈবোৰ সদায় পানীৰে ভৰ্তি কৰি ৰখা হৈছিল।

বৰ্তমানৰ দৰে উন্নতমানৰ যুদ্ধৰ অস্ত্ৰ সেই সময়ত নাছিল। কিন্তু শত্ৰুক বাধা দিবৰ বাবে ব্যৱহৃত কৌশল আছিল শলাগ ল'বলগীয়া। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দ্বাৰা গড়গাঁৱত নিৰ্মিত 'বাঁহগড়' তাৰ অন্যতম উদাহৰণ। এই গড়টোত অতি ডাঠ, জোপোহা আৰু কোটোহা বাঁহ ৰুই দিয়া হৈছিল। এই জোপোহা ইমানেই ডাঠ আছিল যে ইয়াৰ মাজেৰে কাঁড়ো পাৰ হৈ যাব নোৱাৰিছিল। ডফলাবোৰক বাধা দিবৰ বাবে নিৰ্মিত 'ডফলা গড়', মোগলক বাধা দিবৰ বাবে বৰ্তমানৰ শোণিতপুৰ জিলাত নিৰ্মিত 'ভিতৰ গড়' আৰু 'দিখাৰীমুখৰ গড়', নগাঁৱত নিৰ্মাণ কৰা 'শিমলু গড়' আদিয়ে একোখন প্ৰাচীৰৰ দৰে কাম কৰিছিল। ইয়াৰ বাহিৰেও আহোমৰ ৰাজত্বকালত নিৰ্মাণ হোৱা অন্যান্য কিছুমান গড় হ'ল—চামধৰা গড়, শিঙৰি গড়, ঘুওহা গড়, হুলাগড়, পিছলা গড়, চিন্তামণি গড় আদি। ইয়াৰে চিন্তামণি গড় হ'ল আহোম কালত নিৰ্মাণ হোৱা সৰ্ববৃহৎ গড়। এই গড়টোৰ উচ্চতা আছিল ৪০ ফুট আৰু প্ৰস্থ আছিল ১৫০ ফুট। শত্ৰুক নিৰীক্ষণ কৰিবৰ বাবে ইয়াত প্ৰায় ২৫ ফুট ওখ কেইবাটাও গম্বুজ আছিল।

আন এক উল্লেখযোগ্য গড় হ'ল 'কেৰিমেৰি' বা 'বিবুধি গড়'। মোৱামৰীয়া বিদ্ৰোহীক বিবুধিত পেলাবলৈ আঁকোৱা-পকোৱাকৈ এই গড় নিৰ্মাণ কৰা হৈছিল।

# পুৰণি কীৰ্তিচিহ্ন, স্থাপত্য, ভাস্কৰ্য্য ইত্যাদি

আহোমৰ ৰাজত্বকালত গুৱাহাটীত ঠায়ে ঠায়ে বহুতো গড় নিৰ্মাণ কৰা হৈছিল। যেনে—ৰাজগড়, গৌৰীপুৰৰ মাটিৰ গড়, গোসাঁনী আলি গড়, কমাৰ্চ কলেজৰ পূব দিশত থকা গড়, হেন গড়, জালুকবাৰীত থকা গড়, হাতীগড়, গড়চুকৰ গড়, সাত মাইলৰ গড়, গোটানগৰত থকা গড়, পাণ্ডুৰ ওচৰত থকা গড় ইত্যাদি। এনে বহু গড়ৰ বৰ্তমান অস্তিত্ব নাই বা কোনোবাটোৰ সামান্য অৱশিষ্টহে আছেগৈ। লাচিত বৰফুকন পদবীত থকা অৱস্থাত নিৰ্মিত মোমাই কটা গড় সকলোৰে জ্ঞাত। লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশৰ প্ৰতি থকা প্ৰেম তেওঁৰ এই গড় নিৰ্মাণৰ মাজেৰে প্ৰকাশ পায়। শৰাইঘাটৰ যুদ্ধৰ সময়ত আহোমৰ সেনাপতি লাচিত বৰফুকনে এই গড়টো নিৰ্মাণ কৰোৱাইছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আমিনগাঁৱৰ পৰা উত্তৰলৈ এই গড় নিৰ্মাণ কৰা হৈছিল। গড় নিৰ্মাণৰ দায়িত্ব মোমায়েকক দিয়া হৈছিল। কিন্তু দায়িত্ব পালনত অৱহেলা কৰাৰ বাবে লাচিত বৰফুকনে 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি মোমায়েকৰ শিৰচ্ছেদ কৰে আৰু গড় নিৰ্মাণৰ কাম একে ৰাতিৰ ভিতৰতে সম্পন্ন কৰে। সেইবাবেই এই গড়টোৰ নাম মোমাই কটা গড়।

শত্ৰুক ভেটা দিবৰ বাবে বোকাখাতৰ দক্ষিণ পাৰত নিৰ্মিত নুমলীগড়, গৌৰীসাগৰৰ ওচৰত নিৰ্মিত হাৰমতী গড়, স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বকালত নিৰ্মিত খৰাগড়, শিৱসাগৰ জিলাত স্বৰ্গদেউ প্ৰতাপ সিংহৰ দ্বাৰা নিৰ্মিত মেচাগড়, লখিমপুৰ জিলাত নিৰ্মিত বাটলা গড়, যোৰহাটৰ নগা পাহাৰৰ ওচৰত অৱস্থিত হাতীগড়, শোণিতপুৰ জিলাৰ আমটুমণি গড় আদি সময়ে সময়ে নিৰ্মিত হোৱা গড়সমূহ আহোম স্বৰ্গদেউসকলৰ সুন্দৰ পৰিকল্পনাৰ উদাহৰণ।

সুৰক্ষাৰ বাহিৰে আন উদ্দেশ্যেৰেও কিছুমান গড় নিৰ্মাণ কৰা হৈছিল। এনে এক ব্যতিক্ৰমী গড় হ'ল পহুগড়। স্বৰ্গদেউ ৰুদ্ৰ সিংহই বিশাল জেৰেঙা পথাৰত চিৰিয়াখানাৰ দৰে এই গড় নিৰ্মাণ কৰোৱাইছিল। এই বিশাল গড়টোৰ ভিতৰত বিভিন্ন বনৰীয়া জন্তু ৰখা হৈছিল। জন্তুবোৰৰ খাদ্য, প্ৰজননৰ বাবে প্ৰাকৃতিক পৰিবেশ, চিকিৎসা আদিৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব



দিয়া হৈছিল। জন্তুবোৰক যাতে অন্য মানুহে চাব পাৰে তাৰ বাবে কাষে কাষে পথো নিৰ্মাণ কৰা হৈছিল। গড়ৰ চাৰিওকাষে থকা খাৱৈত জলচৰ প্ৰাণীবোৰো সংৰক্ষণ কৰা হৈছিল। এই গোটেই প্ৰাণীবোৰক তদাৰক আৰু চোৱা-চিতা কৰিবলৈ বিভিন্ন বিষয়া, যেনে—হাতী বৰুৱা, ঘোঁৰা বৰুৱা আদি নিয়োগ কৰা হৈছিল।

ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে গড়বোৰৰ নামটোতে গড়টোৰ ইতিহাস তথা বিশেষত্ব সোমাই থাকে। কলিয়াবৰত মোগলক ভেটিবৰ বাবে নিৰ্মাণ কৰা ৰাঙলী গড় ইয়াৰ এক উদাহৰণ। কুকুৰা কাটি তাৰ তেজ ঢালি নিৰ্মাণ কৰা বাবে এই গড় ৰাঙলী গড় নামেৰে জনাজাত।

অসমত আহোমৰ ৰাজত্বকালত সজা গড়বোৰৰ উপৰি কিছু এনে পুৰণি গড়ো আছে যাৰ নিৰ্মাণ ৰাজ্যৰ সুৰক্ষাৰ উদ্দেশ্যে হোৱা নাছিল। ইয়াৰ উদ্দেশ্য আছিল সুকীয়া। বৰ্তমান তেজপুৰ জিলাত অৱস্থিত অগ্নিগড় হ'ল এনে এটি গড়। বাণ ৰজাই কন্যা ঊষাক সুৰক্ষিত কৰি ৰাখিবৰ বাবে নগৰৰ চাৰিওফালে এটা গড় মৰাইছিল। কথিত আছে যে এই গড়ৰ চৌদিশে জুই জ্বলাই ৰখা হৈছিল যাতে কোনোৱে ইয়াত প্ৰৱেশ কৰিব নোৱাৰে। সেইবাবেই এই গড়ৰ নাম অগ্নিগড়। বৰ্তমান এই গড় এক পৰ্য্যটনস্থলী হিচাপে গঢ় লৈ উঠিছে। ৰাজ্যৰ সুৰক্ষাৰ বাবেই হওক বা অন্য কাৰণতেই হওক বিশেষ উন্নত প্ৰযুক্তি নোহোৱাকৈ গড় নিৰ্মাণৰ যি সূক্ষ্ম পৰিকল্পনা সেয়া আহোমসকলৰ দূৰদৰ্শিতা আৰু বুদ্ধিমত্তাৰ এক সুন্দৰ নিদৰ্শন। ❖

## Stories from World Classics

# Heidi

**■ Nisha Devi**

*(Continued from February Issue, 2024)*

Grandfather is up first the next morning and rolls the wheelchair from the shed. Peter sees the wheelchair and realizes that if Clara did not have the wheelchair she would have to go home. Peter shoves the wheelchair towards the slope. The wheelchair rolls down the mountainside, breaking into pieces. Heidi comes out and cannot find the wheelchair. Grandfather carries Clara up the slope with Heidi beside him.




Heidi and Clara enjoy the day petting the goats, talking and enjoying the view. Heidi remembers the beautiful flowers a short distance away. Heidi decides that Clara must see the beautiful flowers and demands that Peter help her bring Clara to the spot. Peter does it unwillingly. Heidi and Peter each support Clara who at first is hesitant to put down her feet. Heidi urges her on. Clara walks for the first time and both girls are excited. They finally reach the field of flowers and sit down on the ground. When Grandfather returns, Clara shows Grandfather how she can walk before they all head home for the day.

A week later Peter brings a letter from Grandmamma announcing her arrival that day. Heidi and Clara prepare for Grandmamma's arrival. At last the girls see the procession that is led by a guide with Grandmamma on a white horse. Grandmamma immediately questions why Clara is not in her chair. Clara shows Grandmamma how she can walk with the help of Heidi. Clara is now more steady and can walk upright next to Heidi. Grandmamma is thrilled. She sees how healthy Clara is and wants Herr Sesemann to see how healthy his daughter is. Grandmamma decides to send a telegraph to Herr Sesemann that asks him to visit the mountain hut.

Meanwhile, Herr Sesemann is already on his way to Grandfather's hut. Herr Sesemann arrives at Grandfather's home and is met by Clara who is walking towards him with Heidi's help. Herr Sesemann cries tears of joy. Peter confesses his misdeed which confuses Grandmamma. Grandfather explains that Peter was "the wind that sent the chair rolling down the slope." Grandmamma urges Grandfather not to punish Peter. Grandfather is worried about who will take care of Heidi when he is dead. Herr Sesemann promises Grandfather that he will look after Heidi because he thinks of her as a daughter. The following morning Herr Sesemam, Grandmamma and Clara leave but they promise to return for a long visit. ❖

# Recycling

■ **Madhusmita Devi**

Many materials can be recycled and used again. Energy can be saved-provided recycling uses less energy than the original production process. Recycling alumnium cans uses only 20th of the energy needed to make new ones from bauxite ore. Steel has always been recycled, and scarp iron is often added to the process.

Moreover, recycling reduces the burden of the environment. As we save energy the number of greenhouse gases and oxides are produced in less quantity.

Paper is the most used material on the earth. It is made up of two materials–water and wood. For recycling paper, firstly, they break it down in small pieces and dissolve it into water. After that, they add chemicals that filter out the ink and dirt from it. In addition, after filtering, the paper takes the form of a mush called the pulp and this pulp is later converted into clean paper.

The recycling of glass is easier. They just break it into pieces and then they melt it and recast them.

The average family in a developed country throws away about two tonnes of waste materials each year. Much of this waste could be used again. Fuel pellets made of rubbish, comprising mainly paper, will burn well to generate heat. Plants for sorting rubbish are expensive to build but they start paying for themselves within a few years. Though recycling is a small step by humans, it is very much effective in the long run to save the environment. ❖

# If dinosaurs were still alive

Dinosaurs have ruled terrestrial life on this planet for more than 130 million years. Technically, many scientists would argue that there is still a subgroup of dinosaurs roaming the planet today : birds. First of all, there is no doubt that dinosaurs could cause serious damage, especially if they were aggressive. This is due to their height and enormous weight. They could easily destroy infrastructure, start fires, shake a part of the land and leave cracks in it. Although not all dinosaurs are harmful and poisonous some can also be friendly just as projected in the movies. There would be innocents fighting aggressive dinosaurs to protect other life forms.

If dinosaurs still existed, the population of the earth would be reduced. The dinosaurs would probably cut it in half, especially if humans could no longer survive with them. However, not only would the number of humans be reduced, but the number of plants and animals would also be reduced. The number of animals which is about 500 trillion, and the number of plant species, which is about 4,00,000 will decrease as they will become food for a large number of dinosaurs. So, basically, the population of Earth's inhabitants would shrink. If the dinosaurs were still here, then the largest mammal would probably be about the size of a domesticated cat. ❖

# ৰাভা জনগোষ্ঠীৰ এটি পৌৰাণিক চৰিত্ৰ 'দ'দান'

■ সিদ্ধাৰ্থ ৰাভা
দশম শ্ৰেণী

অসম যেন এখন ৰং-বিৰঙী কাপোৰ, য'ত বহু জাতি-জনজাতিৰ বৈচিত্ৰ্যময় সংস্কৃতি আঁকা আছে। বহু জাতি-জনজাতিৰ সংস্কৃতিৰ সমাহাৰ অসমীয়া জাতি। প্ৰতিটো জাতিৰে এক সুকীয়া আৰু নিজস্ব পৌৰাণিক কাহিনী আছে। এই ক্ষেত্ৰত ৰাভাসকলো ব্যতিক্ৰম নহয়। ৰাভা জনগোষ্ঠীৰ এটি পৌৰাণিক চৰিত্ৰ হ'ল দ'দান। দ'দানৰ এই উপাখ্যান ৰাভা জনগোষ্ঠীৰ এক স্বকীয় পৰিচয়, নিজস্ব সংস্কৃতিৰ এক অংশ।

ৰাভা উপাখ্যান মতে, দ'দান আছিল বাণ ৰজাৰ মুখ্য সেনাপতি। ৰাভা জনশ্ৰুতি অনুসৰি 'হা-হা' আছিল ৰাভাসকলৰ প্ৰধান পথ-প্ৰদৰ্শক তথা মুৰব্বী। 'হা-হা' আৰু তেওঁৰ পত্নী 'হূ-হূ'ৰ সন্তানেই হ'ল দ'দান। দ'দানক ৰাভাসকলৰ আদিম ৰজা বুলি গণ্য কৰা হয়।

হৰিহৰৰ যুদ্ধত বাণ ৰজাৰ পৰাজয়ৰ সমান্তৰালভাৱে বাণ ৰজাৰ সাম্ৰাজ্যৰো পতন ঘটিছিল। দ'দান তেওঁৰ ভাৰ্য্যা টোবৰাণী, তেওঁৰ ভনীয়েক ছোছী আৰু ভনী-জোঁৱাই মৰুক্ষেত্ৰীসহ ভূটানী ৰজাৰ কাষ চাপে যদিও আশ্ৰয় পোৱাৰ পৰা বঞ্চিত হয়। তেওঁ কংদাংগ, টেংগটাংজ, পাম আদি অন্য ৰাভা ঠালৰ লগ লাগি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বৰ্তমানৰ বৰপেটাৰ সমীপৰ বাঘৰ পাহাৰত থাকিবলৈ লয়। পৰিয়াল তথা অন্য ৰাভা ঠালসহ দ'দানে পুনৰ গোৱালপাৰা জিলাৰ হাতীশিলা অঞ্চললৈ আঁতৰি আহি তাতে বসতি পাতে। তাতে তেওঁ কেইবাটাও কাষৰীয়া অঞ্চল লগ লগাই এখনি সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু থাকিবলৈ লয়। কোৱা হয় যে, এই সাম্ৰাজ্যতেই ৰাভাসকলৰ বিভিন্ন ঠাল মিলিত হৈ বৃহৎ ৰাভা ৰাজ্য গঠন কৰিছিল। এই ঠাইত এতিয়াও বহুতো ৰাভা জনগোষ্ঠীৰ লোক বাস কৰে। এই সাম্ৰাজ্যৰ ওপৰত চকু পৰিল কাষৰীয়া ৰাজ্যসমূহৰ। চাম খ্ৰাংগ আৰু বাণাখ্ৰাংগ ৰাজ্যৰ মিলিত শক্তিৰ আগত দ'দান টিকিব নোৱাৰিলে। তেওঁক হেনো দলবদ্ধভাৱেহে বধ কৰিব পৰা গৈছিল। কথিত আছে যে তেওঁৰ হাতত গদা থকা পৰ্য্যন্ত তেওঁ আছিল মৃত্যুঞ্জয়ী।

এই পৌৰাণিক উপাখ্যান আজিও ৰাভা সমাজত মুখে মুখে প্ৰচলিত। দ'দানৰ নামতেই বাণ ৰজাৰ দিনত গোৱালপাৰা জিলাৰ চাটাবাৰী অঞ্চলত স্থাপিত দ'দান থান ৰাভাসকলৰ এক পুণ্যস্থান হিচাপে বিবেচিত হৈ আহিছে। ইয়ালৈ বিভিন্ন ঠাইৰ পৰা পৰ্য্যটক আহে। প্ৰতি বছৰে মাৰ্চ মাহত উদ্‌যাপন কৰা দ'দান উৎসৱত (The Dodan Festival) দ'দান ৰজাক স্মৰণ কৰা হয়।

এনে বিভিন্ন পৌৰাণিক আখ্যান একোটা জাতিৰ এক নিজস্ব সংস্কৃতি ; যি উল্লেখনীয় আৰু চিৰস্মৰণীয়। ❖

# সময়

■ উপাসনা শৰ্মা
দশম শ্ৰেণী

হাতত ডাঙৰ ট্ৰফীটো আৰু ডিঙিৰ মেডেলটো লৈ গাড়ীৰ পৰা নামিয়েই তাই তিনি মহলীয়া 'দীপ্তি-আলয়'লৈ সোমাই গ'ল। বাৰাণ্ডাত ৰৈ থকা বাবলুৱে তাইক দেখি তাইৰ পিছে পিছে দৌৰ দিলে। ঘৰটোত সোমায়েই ভিতৰৰ তৃতীয় কোঠাটোৰ সন্মুখত দুয়ো ৰৈ দিলে, লগে লগে বাবলুৰ ভুক-ভুকনিও বন্ধ হ'ল।

কোঁঠাটোৰ কাঠৰ দুৱাৰখনত লাহেকৈ হাতখন থৈ তাই যিমান পাৰে শব্দ নোহোৱাকৈ দুৱাৰখন খুলিবলৈ চেষ্টা চলালে। দুৱাৰখন খুলিলেই দেখা পায় এখন বিছনা। নিজম, আন্ধাৰ কোঁঠালিটো বহু ব্যয়বহুল বস্তুৰে পৰিপূৰ্ণ যদিও যেন কোঁঠালিটোৰ এটা ফাল একেবাৰেই উকা। হ'লেও এই উকা উকা লগা কোঁঠালিটোৰ লগত তাইৰ স্মৃতিৰ এনাজৰীডাল নিছিঙাকৈয়ে বান্ধ খাই আছে।

কোঁঠালিটোৰ ভিতৰলৈ সোমাই গৈ বিছনাখনৰ কাষৰ 'কফি টেবুল'খনত থকা ফটোখনত সুৰে হাত ফুৰাই চালে, কিজানি অলপ সময়ৰ কাৰণে হ'লেও ঘূৰি যাব পাৰে সেই স্মৃতিবোৰলৈ—সেই সময়খিনি বাৰু কিয় পাৰ হৈ গ'ল? কিয় বাৰু বৈ নাযায় আমাৰ ভাল লগা সময়বোৰ? সময়বোৰৰ ইমান হেঁপাহনে স্মৃতি হ'বলৈ? নিষ্ঠুৰ নহয় জানো এই সময়বোৰ! ককাকো লৈ গ'ল বহু দূৰলৈ। গুচি গ'লগৈ ককা।



টেবুলখনত থকা ককাক, বাবলু আৰু নিজৰ ফটোখনলৈ চাই আকৌ এবাৰ উভতিবলৈ যো-জা চলালে তাই। ককাকে দুয়োকে ওচৰত বহাই লৈ খেলি, সাধু শুনাই, গান গাই, বাঁহীৰ সুৰত মতলীয়া হোৱা সময়কণলৈ। বাবলুৰ চকুযুৰিতো যেন এক বিষাদৰ সেমেকা সেমেকা ভাব। বাবলু আজিকালি তাইৰ লগৰীয়া। হঠাৎ মিনতি বায়েকৰ মাতত উচাপ খাই উঠিল তাই। ওলাই আহিল স্মৃতিৰ মাজৰ পৰা।

বিশাল টেবুলখনত অকলে দুপৰীয়াৰ ভাতসাঁজ খাই নিজৰ কোঁঠালৈ গৈ বাঁহীটো হাতত লওঁতেই ফোন বাজি উঠিল। ...ট্ৰিং, ট্ৰিং... মানে তাইৰ মাকে ফোন কৰিছে। ফোনটো কাণত ল'লে তাই। "হেল্লো, সুৰ... !"

—এই নামটো যে 'সুৰ', ককাকে দিয়া নাম। যেনেকৈ 'সুৰ' অবিহনে বাঁহী মাত্ৰ বাঁহৰ এবিধ ফোঁপোলা সঁজুলিহে, ঠিক তেনেদৰেই সুৰ অবিহনে হেনো ককাক মাত্ৰ প্ৰফুল্ল শংকৰ বৰুৱাহে।

"সুৰ...," আকৌ এবাৰ মাকৰ মাতত সুৰ ঘূৰি আহিল বাঁহী-সুৰ আৰু ককাকৰ পৰা।

"অ' মা।"

"ভাত খালা?"

"খালোঁ। ...মা শুনাচোন, আজি নহয়..."

"ৰ'বা, সুৰ, কাইলৈ কথা পাতিম। পাছে, মোৰ আৰু পিতাৰ যাওঁতে অলপ দেৰি হ'ব, তুমি ভাত খাই শুই যাবা।"

"উম.... হ'ব !"

এটা গধুৰ মনেৰে সুৰে ফোনটো থ'লে। মাক-পিতাকৰ এইবোৰ কথাই সুৰক ঠেলি দিয়ে স্মৃতিবোৰলৈ। ককাকলৈ বেছিকৈ মনত পৰে তেতিয়া, সুৰৰ বাবে অকণমান সময় উলিয়াই লোৱাটো সুৰৰ মাক-পিতাকৰ বাবে এটা কঠিন কাম। সুৰৰ মাক-পিতাক ঠিক ঘড়ীৰ কাঁটাকেইডালৰ দৰেই ব্যস্ত। ৰ'বলৈ আহৰি নাই। সুৰ ভাগৰি পৰিছে। বাবলুকো লৈ যায় মিনতি বায়েকে। ১২ বছৰীয়া সুৰে মনৰ কথাখিনি ক'বলৈ কাকো বিচাৰি নাপায়। ককাক ঢুকোৱাৰ পাছত সময়বোৰক লৈ তাই ক্ষুব্ধ। সময়বোৰ আচলতে প্ৰকৃত দোষী তাইৰ চকুত। স্কুলৰ বাঁহীবাদন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি তাই মাথোঁ সোমাই গৈছিল এটা আপোন আপোন ভাব থকা উকা উকা লগা কোঁঠালিলৈ। কিন্তু, তাইৰোতো মন আছিল মাকক সাবটি ধৰিবলৈ; পিতাকৰ মুখত এটা চুমা দিবলৈ। সময়ৰ সৈতে দৌৰা আধুনিক মানৱৰ এক উদাহৰণ সুৰৰ মাক-পিতাক। সুৰৰ বাবে আজৰি নাই। সময়বোৰে মাক-পিতাকক অলপো আজৰি কৰি দিব নোৱাৰেনে? অলপ সময়ৰ বাবে হ'লেও। তেওঁলোকেও জানক যে সুৰে ফুৰি ভাল পায়, বাঁহী বজাই ভাল পায় আৰু বাৰ্তালাপ, বাৰ্তালাপ যে তাইৰ প্ৰিয় ! কিন্তু নাই, সেই আজৰি নাই আজি সুৰৰ মাক-পিতাকৰ। তেওঁলোকৰ জীৱন ব্যস্ততাপূৰ্ণ হোৱাৰ বিপৰীতে সুৰ তেনেই অকলশৰীয়া। ❖

# বন্ধুত্ব

■ দোক্‌মোকালি গোস্বামী
চতুৰ্থ শ্ৰেণী



আজিকালি মাকে ঘৰচিৰিকাক চাউল নিদিয়ে। ৰুবীয়েহে দিয়ে। প্ৰথমদিনা ঘৰচিৰিকাকেইটা ৰুবীৰ ওচৰলৈ অহা নাছিল যদিও এতিয়া ঘৰচিৰিকাকেইটা ৰুবীৰ বন্ধু। লাহে লাহে যেন ৰুবীয়ে সিহঁতৰ ভাষা বুজি পোৱা হ'ল আৰু সিহঁতেও ৰুবীৰ কথা বুজি পোৱা হ'ল। ৰুবীয়ে সদায় সিহঁতৰ লগত কথা পাতে।

এদিন ৰুবীৰ ঘৰচিৰিকাকেইটাৰ ওচৰলৈ আহোঁতে অলপ পলম হ'ল। ঘৰচিৰিকাকেইটাই নিজৰ মাজতে আলোচনা কৰিলে। "আজিচোন ৰুবীবাৰ আহোঁতে বৰ দেৰি হ'ল!" এটা পোৱালি ঘৰচিৰিকাই ক'লে। "অঁ পায়! কি বা হ'ল?" আন এটাই ক'লে।

অলপ দেৰিকৈ ৰুবী আহিল। আহিয়েই তাই সিহঁতক চাউল দি ক'লে, "আজি মোৰ আহোঁতে দেৰি হ'ল। আচলতে আজি মই এটা শিক্ষা পালোঁ। মই মাক এটা চৰাই পুহিম বুলি কৈ আছিলোঁ। মই পুহিলোঁ হয়। পাছে মায়ে ক'লে, চৰাই পোহাটো অনুচিত। আমি যেতিয়া চৰাইটো লৈ আহোঁ চৰাইটো নিজৰ পৰিয়ালৰ পৰা বেলেগ হৈ যায়। চৰাইটোৰ দৰে যদি আমাকো পৰিয়ালৰ পৰা বেলেগ কৰি ক'ৰবালৈ লৈ যায়, আমাৰ জানো ভাল লাগিব? একেই কথা চৰাইটোৰ লগতো। সেইকাৰণে চৰাই পুহিব নালাগে।" ৰুবীৰ কথা শুনি ঘৰচিৰিকাকেইটাই বৰ আনন্দ পালে। সিহঁতে ৰঙতে নাচি নাচি ক'লে, "তোমাৰ মায়ে ঠিকেই কৈছে। আমিতো তোমাৰ বন্ধু। তুমি এতিয়াৰ নিচিনাকৈ আমাক সদায় চাউল দিবা। আমি আহি খাই যাম।" ইতিমধ্যে সিহঁতৰ চাউল খোৱা হৈছিল। সিহঁতে ৰুবীৰ লগত অলপ সময় কথা পাতি নিজৰ নিজৰ বাহলৈ উৰা মাৰিলে। ❖

ৰাতিপুৱা হওঁ হওঁ হৈছে। ৰুবীয়ে সাৰ পাই লাহেকৈ বিছনাৰ পৰা উঠি আহিল। অইনদিনা তাই ইমান সোনকালে নুঠে। আজি কিবা চিৰিক-চাৰাক মাত এটা বহুপৰ ধৰি শুনি শুনি তাই হঠাৎ সাৰ পাই উঠিল।

তাই চোতাললৈ ওলাই গ'ল। মাকে চোতালখন সাৰি আছিল। মাকে সুধিলে, "আজিচোন তুমি বৰ সোনকালে সাৰ পালা?" "নাই, কিবা চিৰিক-চাৰাক শব্দ এটাত সাৰ পাই গ'লোঁ," ৰুবীয়ে ক'লে। মাকে অলপ ৰৈ ক'লে, "শব্দটো কিহৰ জানানে বাৰু? সেইটো ঘৰচিৰিকাৰ মাত। মই অলপ আগতে সিহঁতক চাউল দিছিলোঁ।" ৰুবীয়ে অলপ আচৰিত হৈ ক'লে, "ইয়ে! ঘৰচিৰিকাৰ মাত নেকি? মই ভবাই নাছিলোঁ।" অলপ কিবা ভাবি তাই আকৌ ক'লে, "মা, এতিয়াৰ পৰা ময়ো তোমাৰ নিচিনাকৈ সোনকালে উঠিম আৰু ঘৰচিৰিকাক চাউল দিম।" মাকে হ'ব বুলি শলাগিলে।

# ফাগুন তোমাক জনালোঁ নিমন্ত্ৰণ

■ কৃপাদৃষ্টি কলিতা
দশম শ্ৰেণী

পদূলিত ফাগুন আছেহি বৈ। এই ফাগুনৰো আছে নিজস্ব মাদকতা। ফাগুনে কাৰোবাৰ মন উৰুঙা কৰে, কাৰোবাৰ মন বেদনাৰে গধুৰ কৰে। তথাপি ফাগুনৰ বুকুতে লুকাই থাকে ব'হাগৰ বতৰা। বসন্তৰ আগমনৰ সংকেত। শীতৰ সেমেকা পুৱাৰ কুঁৱলীবোৰ আঁতৰাই ভূমুকি মাৰে ফাগুনে। এই সময়তে আম, নিম, আঁহত আদি গছবোৰত নতুন পাত ওলায়। আমে মলিয়ায়। ফাগুন মানেই হৈছে ফুল ফুলাৰ বতৰ। উতলা ফাগুনে পলাশ, মদাৰ, শিমলুক ৰঙা বেশত সজায়। এই ফাগুনৰ পছোৱাজাকে পলাশ, মদাৰ, শিমলুৰ গাঢ় ৰঙা ফুলবোৰ চুই যায়। আচলতে ফাগুন মানেই ৰং। এই পলাশ, মদাৰে দিয়ে ফাকুৱাৰ আগজাননী। ফাগুন মাহৰ পূৰ্ণিমা তিথিতে ভগৱান শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা আৰম্ভ হয়। এই উৎসৱত ভগৱান শ্ৰীকৃষ্ণক পূজা কৰা হয় আৰু ইজনে আনজনক ফাকু সানি ৰঙৰ খেলা কৰে। এই উৎসৱক ফাকুৱা অৰ্থাৎ ৰঙৰ উৎসৱ হোলী বুলি কোৱা হয়। এই উৎসৱতে লোকসকলে হোলী গীত গাই আনন্দ কৰে। হোলী গীতৰ মূৰ্চ্ছনাৰে মুখৰিত হয় ফাগুন।

এই ফাগুনৰ বাবেই কবি-গীতিকাৰৰ হাতত বহুতো গীত-কবিতাই প্ৰাণ পাই উঠে। তেনেদৰে ড° ভূপেন হাজৰিকাদেৱেও গাইছিল—

'আজি ফাগুনৰ পুৱা বেলাতেই
মেঘে ওন্দোলাই আনিলে,
আবতৰতেই নীল আকাশত
ক'লা ৰং কোনে সানিলে,.......'

ফাগুনক লৈ কিছুমানৰ আছে সুকীয়া অনুভৱ। কিছু লোকে কয় যে ফাগুন মানেই ধূলি আৰু ধূলি মানেই শুকান। এই শুকান ফাগুনে বতাহত কঢ়িয়াই আনে ব'হাগৰ বতৰা। বিহু গীতত ফাগুনে গীতিকাৰক আমনি কৰে। ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা অসমৰ মিচিং জনগোষ্ঠীৰ লোকসকলে প্ৰাচীন কৃষি উৎসৱ আলি-আই-লৃগাং পালন কৰে।



সঁচাকৈয়ে ফাগুন অনন্য। আজিৰ এই যান্ত্ৰিকতাৰ সময়ত বাৰীৰ পিছফালে থকা শিমলু বা মদাৰজুপিৰ সুবাসবিহীন ৰঙীন ফুলবোৰক সংগ দিবলৈ যেন কাৰো সময় নাই। কিন্তু সেয়াই বসন্তৰ আগজাননী। ❖

# পৃথিৱী মাতৃ

■ বাস্তৱ দাস
ষষ্ঠ শ্ৰেণী

পৃথিৱী মাতৃ, পৃথিৱী মাতৃ
বীজ লৈ জন্ম দিয়া তুমি।
পিতৃ সূৰ্য্য, উজ্জ্বল হৈ চিকমিকাই থকা
বৰষুণ ভনী, বৰষুণ ভনী
শস্য বাঢ়িবলৈ তোমাৰ চকুলো দিয়া
বতাহ ককাই, উশাহ লৈ দিয়া পানী শুকাই
তেতিয়াহে শস্য বাঢ়িব
পৃথিৱী-সূৰ্য্য, বতাহ-বৰষুণত
শস্য সোণগুটি হ'ব ! ❖

*(এই কবিতাটি আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ইংৰাজী বিষয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্গত Mother Earth নামৰ কবিতাটিৰ অনুবাদ)*

# বন্দী পক্ষী

■ ৰিজুস্মিতা অধিকাৰী
ষষ্ঠ শ্ৰেণী

মুক্ত আকাশৰ নীলিমাত
মুক্ত মনেৰে, মুক্ত পক্ষীৰ জাক উৰি যায়
আনন্দত আত্মহাৰা হৈ
কোনো দূৰ দেশলৈ
কাক বিচাৰি যায় মুক্ত পক্ষীৰ দল?
স্বাধীন মনেৰে
স্বাধীন চিন্তাৰে
আকাশত উৰি উৰি
চিঞৰি চিঞৰি কি কৈ গ'ল?
সোণৰ সজাত
মনৰ দুখত,
আৰুনো কিমান দিন
অপেক্ষা কৰিবি তই বন্দী অৱস্থাত
কতনো পক্ষীয়ে তোৰ লগৰেই
পোহৰৰ বাট দেখুৱায়,
পালি জানো চিকিমিকি পোহৰৰ ক্ষণ?
মৰণৰ শেষ সময়তো
পৰাধীন বন্দী অৱস্থাৰ
সমাপ্তি হ'লেও হ'ব
জীৱন মহান। ❖



# বন্ধুত্ব

■ ৰক্তিম ডেকা
সপ্তম শ্ৰেণী

তিনিটা আখৰৰ এটি শব্দ
'বন্ধুত্ব',
কিন্তু লুকাই আছে
অনেক কথা, অনেক স্মৃতি...
সৰুতে যে কিমান খেলিছিলোঁ
বদমাচি কৰিছিলোঁ
কিমান যে মধুৰ আছিল সেই দিনবোৰ
মনত আছেনে বাৰু তহঁতৰ !
শৈশৱ পাৰ কৰি কৈশোৰত ভৰি দিলোঁ
লাহে লাহে ডাঙৰ হ'লোঁ
তথাপিতো হেৰুৱাই পেলোৱা নাই,
চেমনীয়া কালৰ সেই মিঠা হাঁহিবোৰ
সমনীয়াৰ লগত পাৰ কৰা
সেই স্মৃতিবোৰ যেন হৃদয়ৰ
এটা চুকত ক'ৰবাত লুকাই আছে
সমনীয়াৰ লগত কটোৱা
প্ৰত্যেকটো দিন,
প্ৰত্যেকটো মুহূৰ্ত
প্ৰত্যেকটো ক্ষণত,
বিচাৰি পাওঁ জীৱনৰ সমস্ত সুখ।
কি যে সুমধুৰ এই বন্ধুত্ব
কি যে সুমধুৰ এই জীৱন। ❖

# উপভাষা

■ সুদীপ্তা চৌধুৰী

ভাষা এটাৰ ইতিহাস বিচাৰ কৰি চালে দেখা যায় যে সেই ভাষাটোৱে বিভিন্ন স্তৰ অতিক্ৰম কৰি সময়ত এটা নতুন ৰূপ লয়। অসমীয়া ভাষাটোৰ জন্মৰ ক্ষেত্ৰতো আমি বিভিন্ন স্তৰ দেখিবলৈ পাওঁ। বিভিন্ন কাৰণ, যেনে—ভৌগোলিক পৰিবেষ্টন বা ৰাজনৈতিক কাৰণত অসমীয়া ভাষাটোৱে সমৰূপ লাভ কৰাত বহু বছৰ লাগিল। একেখন অসমতে প্ৰচলিত অসমীয়া ভাষাৰ এটা অঞ্চলৰ ভাষা আৰু আন এটা অঞ্চলৰ ভাষাৰ মাজত ধ্বনি, ধ্বনি সংযোগ বা ৰূপ আৰু শব্দমালাৰ মাজত নানান পাৰ্থক্য দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত উজনি অসম আৰু নামনি অসমৰ ভাষাৰ মাজত পাৰ্থক্য দেখিবলৈ পাওঁ। এই পাৰ্থক্যই যেতিয়া কোনো এটা ভাষাৰ ৰূপ লয়, সেই ৰূপটো ঔপভাষিক ৰূপ বুলি কোৱা হয়। অসমীয়া ভাষাৰ ঔপভাষিক ৰূপ বুলিলে উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাই আমাৰ মনলৈ আহে। দেখাত উজনি অসমৰ বিভিন্ন ঠাইৰ ভাষাত পাৰ্থক্য নাই যেন লাগিলেও শিৱসাগৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা মান্য অসমীয়া ভাষাৰ উজনিতো কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। তাৰ বাবে নগাঁও, গোলাঘাট, উত্তৰ লখিমপুৰ, শিৱসাগৰ আদি ঠাইত প্ৰচলিত অসমীয়া ভাষা লক্ষ্য কৰিলে কিছু পাৰ্থক্য ওলাই পৰে। এই পাৰ্থক্য নামনি অসমত সৰহ। নামনি অসমৰ উপভাষাক আকৌ আমি অবিভক্ত কামৰূপ আৰু অবিভক্ত গোৱালপাৰাৰ উপভাষা নামেৰে দুটা বহল ভাগত ভগাব পাৰোঁ। কামৰূপ বা কামৰূপী উপভাষাক চাৰিটা উপভাগ কৰিব পাৰি। যেনে—(১) বৰপেটীয়া (২) নলবৰীয়া (৩) পাতিদৰঙীয়া (৪) দক্ষিণপৰীয়া বা পলাশবৰীয়া/ছয়গঞা। সেইদৰে গোৱালপৰীয়া উপভাষাক (১) পূব গোৱালপৰীয়া (২) দক্ষিণ গোৱালপৰীয়া আৰু (৩) পশ্চিম গোৱালপৰীয়া এই তিনিটা ভাগত ভগাব পৰা যায়।

তেনেদৰে উজনি অসমৰ অসমীয়া ভাষাক নগঞা আৰু শিৱসাগৰীয়া এই দুভাগত ভগাব পৰা যায়।

মান্য ভাষা মানে হৈছে কোনো এডোখৰ ঠাইত মৰ্য্যাদাপ্ৰাপ্ত এটা উপভাষা। বৰ্তমানৰ অসমীয়া মান্য ভাষাটো অসমৰ পূব অঞ্চলৰ উপভাষা অৰ্থাৎ শিৱসাগৰ অঞ্চলত কথিত উপভাষাটোক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এটা ভাষা। এই উপভাষাটোৱে সোতৰ শতিকাৰ পৰা প্ৰাধান্য লাভ কৰিবলৈ ধৰে। তাৰ আগতে নামনি অসমৰ ভাষাই সাহিত্য-সংস্কৃতিত স্থান পাইছিল। সেইখিনি সময়ত কবি-সাহিত্যিকসকলে নামনি অঞ্চলৰ ভাষাতেই সাহিত্য ৰচনা কৰিছিল আৰু সেয়েহে সেই অঞ্চলৰ ভাষাৰো মৰ্য্যাদা বাঢ়িছিল। কবি হেম সৰস্বতী, মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ, মনকৰ, দুৰ্গাবৰ, ভট্টদেৱ আদি প্ৰাচীন কবিসকলৰ ৰচনাত কামৰূপী ভাষাৰ সুন্দৰ চানেকি পোৱা যায়। কিন্তু আমেৰিকাৰ ব্যাপ্টিষ্ট মিছনেৰীসকল যেতিয়া অসমলৈ আহি শিৱসাগৰ অঞ্চলত থাকি সেই অঞ্চলৰ ভাষাকে কিতাপ-পত্ৰ, আলোচনী আদিত ব্যৱহাৰ কৰিবলৈ ল'লে, তেতিয়াই সেই ভাষাটোৱে প্ৰাধান্য লাভ কৰিলে আৰু তেতিয়াৰ পৰাই উজনি আৰু নামনি অসমৰ ভাষাৰ মাজত থকা পাৰ্থক্যবোৰ স্পষ্টকৈ ওলাই পৰিল। তলত উদাহৰণসহ মান্য অসমীয়া ভাষাৰ লগত উজনি আৰু নামনি অসমৰ উপভাষাৰ কিছুমান শব্দৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত পাৰ্থক্যবোৰ উল্লেখ কৰা হ'ল—

**ধ্বনিগত পাৰ্থক্য**

| | উজনি | নামনি | নামনি |
|---|---|---|---|
| মান্য অসমীয়া | শিৱসাগৰীয়া/নগঞা | নলবৰীয়া/বৰপেটীয়া<br>পাতিদৰঙীয়া/ছয়গঞা | গোৱালপৰীয়া |
| ১। সি গ'ল | সি গ'ল | সি গল/সি গেল/সি গেলাক | সি গল |
| ২। জাৰ | জাৰ | জাৰ/ঝাৰ (পলাশবাৰী/ছয়গাঁও) | ঝাৰ |
| ৩। ওজা | ওজা | অজা/অঝা | ওঝা |
| ৪। কঁপনি | কঁপনি | কপনি/কপ্‌নি | কপ্‌নি |
| ৫। কপাল | কপাল | কাপাল | কপাল |
| ৬। টেঙা | টেঙা | টেঙা/তেৰাঁ (ছয়গাঁও) | টেঙা |
| ৭। ৰঙা | ৰঙা | ৰাঙা/ৰাৰাঁ (ছয়গাঁও) | ৰাঙা |

**ৰূপগত পাৰ্থক্য**

| | উজনি | নামনি | নামনি |
|---|---|---|---|
| মান্য অসমীয়া | শিৱসাগৰীয়া/নগঞা | নলবৰীয়া/বৰপেটীয়া<br>পাতিদৰঙীয়া/ছয়গঞা | গোৱালপৰীয়া |
| ১। মানুহবোৰ | মানুহবোৰ/মানুহসকল | মানুহগিলা/মানুহগেলা | মান্‌শিলা |
| ২। মানুহজন | মানুহজন | মানুহটো | মানুশটা |
| ৩। চৰাইজাক | চৰাইজাক | চৰেজাক | পোখিঝাক |
| ৪। তোমালোক | তুমালোক | তোমালোক | তুম্‌ৰা |
| ৫। এইবোৰ | এইবোৰ | এগ্‌লা | এইগ্‌লা |
| ৬। ধুতিখন | ধুতিখন | ধুতিখান | ধুতিখান |
| ৭। তেওঁলোক | তেওঁলোক | তাহুন/তুন্‌হা | উম্‌ৰা |
| ৮। কোনবোৰ | কোনবোৰ | কুনগিলা | কুনগিলা |

**শব্দগত পাৰ্থক্য**

| | উজনি | নামনি | নামনি |
|---|---|---|---|
| মান্য অসমীয়া | শিৱসাগৰীয়া/নগঞা | নলবৰীয়া/বৰপেটীয়া<br>পাতিদৰঙীয়া/ছয়গঞা | গোৱালপৰীয়া |
| ১। ল'ৰা-ছোৱালী | ল'ৰা-ছোৱালী | আপা-আপী/জিআ | চেংৰা-চেংৰী |
| ২। ছাগলী | ছাগলী | ছাগাল | সাগল |
| ৩। জিকা | জিকা | জিকা | ঝিঙা |
| ৪। কেৰাহী | কেৰাহী | কৰেহী/কৰাহী | কৰাই |
| ৫। পখিলা | পখিলা | পখিলা | চক্‌ৰী |
| ৬। কেঁচুৰা | কেঁচুৰা | কেউচা/বাৎসা | কাসুআ |
| ৭। কাউৰী | কাউৰী | কাউৰ | কাউআ |
| ৮। শিলিখা | শিলিখা | শিল্‌খা | কসাল |

এইদৰে পৰীক্ষা-নিৰীক্ষা কৰি চালে অসমীয়া ভাষাটোৰ অঞ্চলবিশেষে শব্দগত, ধ্বনিগত অথবা ৰূপগত পাৰ্থক্যবোৰ ধৰা পৰে। ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে চালে কোনো অঞ্চলৰ উপভাষাই অশুদ্ধ নহয়। অসমৰ কোনোখন জিলাতে সকলো ঠাইতে একে ৰূপত ধনি ৰূপ, শব্দ ৰূপ পোৱা নাযায়। এই বিষয়ে বহলকৈ আলোচনা কৰাৰ যথেষ্ট থল আছে বুলি ক'ব পৰা যায়। ❖

# খাদ্য সুৰক্ষা সূচকাংক

■ ৰুণিমা শৰ্মা

Food Safety and Standards Authority of India

খাদ্য সুৰক্ষা সূচকাংক হৈছে খাদ্য সুৰক্ষা সম্পৰ্কে পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা নিৰ্ধাৰণ কৰা এক মান। এই পৰীক্ষাৰ ক্ষেত্ৰত কিছুমান বিশেষ দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। সেইবোৰ হৈছে মানুহৰ খাদ্য গ্ৰহণ কৰিব পৰা সক্ষমতা, খাদ্যৰ প্ৰচুৰতা, খাদ্যৰ গুণাগুণ আৰু খাদ্যৰ সুৰক্ষা। এই ক্ষেত্ৰত খাদ্য গ্ৰহণৰ সক্ষমতাই খাদ্যবিধ গ্ৰাহকে কিনিব পৰা ক্ষমতাক বুজায়। খাদ্যৰ মূল্যবৃদ্ধিয়ে গ্ৰাহকৰ বাবে গভীৰ সংকটৰ সৃষ্টি কৰে। খাদ্যৰ প্ৰাচুৰ্য্যই খাদ্যবিধৰ উৎপাদনৰ লগত কৃষিখণ্ডৰ সম্প্ৰসাৰণ, খাদ্যৰ যোগান ইত্যাদি বিভিন্ন দিশ সামৰি লৈছে। খাদ্যৰ গুণাগুণ আৰু সুৰক্ষাই খাদ্যবিধৰ পুষ্টিৰ পৰিমাণ আৰু ইয়াৰ সুৰক্ষা তথা দীৰ্ঘম্যাদী ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ এক ধৰণৰ সক্ৰিয় আৰু স্বাস্থ্যকৰ জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ খাদ্য ব্যক্তি এগৰাকীয়ে শাৰীৰিক, অৰ্থনৈতিক আৰু সামাজিকভাৱে গ্ৰহণ কৰিব পৰাকেই খাদ্য সুৰক্ষা বুলি কোৱা হয় আৰু ইয়াক নিৰ্ধাৰণ কৰা কাৰকবোৰেই হ'ল খাদ্য সুৰক্ষা সূচকাংক। এই ধাৰণাৰ ভিত্তিতেই ১৯৯৬ চনত এখন বিশ্ব খাদ্য সন্মিলন অনুষ্ঠিত হৈছিল য'ত খাদ্য গ্ৰহণৰ সক্ষমতা, প্ৰাচুৰ্য্য, গুণাগুণ ইত্যাদি দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। এই সন্মিলনখনে সৰ্বমুঠ ১১৩ খন দেশৰ খাদ্য সুৰক্ষা সম্পৰ্কে অধ্যয়ন কৰিছিল। এই সন্মিলনখনৰ পাছতেই আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত 'বিশ্ব খাদ্য সুৰক্ষা সূচকাংক' শীৰ্ষক প্ৰতিবেদন প্ৰকাশ হৈছিল। তাৰ পাছত প্ৰতি বছৰে এই প্ৰতিবেদন প্ৰকাশ কৰি অহা হৈছে।

২০২২ চনৰ বিশ্ব খাদ্য সুৰক্ষা প্ৰতিবেদন অনুসৰি ক'ভিড-১৯ অতিমাৰীৰ পাছত সমগ্ৰ বিশ্বতেই খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত এক সংকটৰ সৃষ্টি হৈছে। পৃথিৱীৰ দেশসমূহৰ ভিতৰত খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত শীৰ্ষস্থানত আছে ফিনলেণ্ড। দ্বিতীয় আৰু তৃতীয় স্থানত আছে ক্ৰমান্বয়ে আয়াৰলেণ্ড আৰু নৰৱে। এই তালিকাত আমাৰ দেশ ভাৰতবৰ্ষৰ স্থান হৈছে ৬৮। আমাৰ দেশ ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ভিতৰত খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত কেৰালাই শীৰ্ষস্থান অধিকাৰ কৰিছে। দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰিছে ক্ৰমান্বয়ে পঞ্জাব আৰু তামিলনাডু ৰাজ্যই। FSSAI (Food Safety and Standards Authority of India)য়ে ভাৰতবৰ্ষৰ খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত এক যোগাত্মক পৰিৱৰ্তনৰ উদ্দেশ্যে শেহতীয়াভাৱে ২০২৩ চনত 'খাদ্য সুৰক্ষা সূচকাংক' শীৰ্ষক এক প্ৰতিবেদন প্ৰকাশ কৰে। এই প্ৰতিবেদনে খাদ্য সুৰক্ষা, পৰীক্ষা, প্ৰশিক্ষণ আৰু যোগ্যতা বৃদ্ধি, ক্ৰেতাৰ সবলীকৰণ ইত্যাদি বিভিন্ন দিশৰ ওপৰত গুৰুত্ব দিছে। বৃহৎ ৰাজ্য, সৰু ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল—এই তিনিটা পৰ্য্যায়ত এই অধ্যয়ন কৰা হৈছিল। বৃহৎ ৰাজ্যৰ ভিতৰত কেৰালা, সৰু ৰাজ্যৰ ভিতৰত গোৱা আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ভিতৰত জম্মু আৰু কাশ্মীৰে এই প্ৰতিবেদনত শীৰ্ষস্থান অধিকাৰ কৰিছে। এই পদক্ষেপে খাদ্য সুৰক্ষা, পুষ্টি আৰু সুৰক্ষাৰ ক্ষেত্ৰত এক ধৰণৰ নিৰ্ধাৰকৰ ভূমিকা গ্ৰহণ কৰিছে।

এইদৰে গোলকীয় পৰ্য্যায় আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত খাদ্য সুৰক্ষাৰ সূচকসমূহে খাদ্য সুৰক্ষাৰ দিশসমূহ নিৰ্ধাৰণ কৰি আহিছে। খাদ্য সুৰক্ষাৰ দিশটো বিশ্বৰ প্ৰতিখন দেশ আৰু ব্যক্তিৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু এই ক্ষেত্ৰত নিৰ্ধাৰকসমূহৰ ভূমিকা অতি প্ৰয়োজনীয়। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ২০২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 3 | 5 | 2 | 4 | 9 | 7 | 1 | 8 |
| 2 | 9 | 7 | 8 | 1 | 3 | 5 | 6 | 4 |
| 8 | 4 | 1 | 6 | 5 | 7 | 3 | 9 | 2 |
| 5 | 7 | 9 | 1 | 2 | 6 | 8 | 4 | 3 |
| 3 | 8 | 6 | 9 | 7 | 4 | 2 | 5 | 1 |
| 4 | 1 | 2 | 3 | 8 | 5 | 6 | 7 | 9 |
| 1 | 5 | 3 | 4 | 6 | 2 | 9 | 8 | 7 |
| 7 | 2 | 8 | 5 | 9 | 1 | 4 | 3 | 6 |
| 9 | 6 | 4 | 7 | 3 | 8 | 1 | 2 | 5 |

## চুড'কু ২০৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 5 | | | 9 | | | | 1 |
| | 7 | | | 4 | | | | |
| | | | 2 | 8 | | | 9 | |
| | | | | | | | | |
| | 3 | | | | 5 | | | 6 |
| | | | | | | | 8 | |
| | | | | | 7 | 5 | | |
| | | 2 | | | | | | |
| | | 8 | | | | | 4 | |

### তোমালোকে জানানে?

## বৰ্ষাৰণ্য

বৰ্ষাৰণ্য (Rain Forest) হৈছে সেইবোৰ অৰণ্যাঞ্চল যিবোৰত বছৰটোৰ সকলো সময়তে মাত্ৰাধিক বৰষুণ হয়। এনে অৰণ্যসমূহ নিৰৱচ্ছিন্ন সেমেকা জলবায়ু সহিব পৰা বৃক্ষৰে (বিশেষকৈ চিৰসেউজ উদ্ভিদেৰে) পৰিপূৰ্ণ হৈ থাকে। সাধাৰণতে একোখন বৰ্ষাৰণ্যত বছৰি ২৩০ দিন পৰ্য্যন্ত বৰষুণ হয়। অধিক বৰষুণৰ বাবে এনে অৰণ্যসমূহত বৰষুণৰ পানী বাষ্পীভৱন হৈ পুনৰ অৰণ্য ভূমিক জীপাল কৰি ৰাখে আৰু সেয়ে বৰ্ষাৰণ্যত আৰ্দ্ৰতাৰ পৰিমাণ বেছি হয়।

বৰ্ষাৰণ্য এখনত বৰষুণৰ সৰ্বোচ্চ পৰিমাণ ৩৫০ ছেণ্টিমিটাৰ। একেদৰে বৰ্ষাৰণ্যত তাপমাত্ৰাৰ সৰ্বোচ্চ পৰিমাণ ৩৫ ডিগ্ৰী আৰু সৰ্বনিম্ন ১ ডিগ্ৰী ছেলছিয়াছ। সমগ্ৰ বিশ্বৰে মুঠ ৮৫ খন দেশত বৰ্ষাৰণ্যৰ উপস্থিতি দেখা গৈছে। অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া জিলাত অৱস্থিত জয়পুৰ, দিহিং আৰু ডিবাক সংৰক্ষিত বনাঞ্চলক কেন্দ্ৰ কৰি মুঠ ৮৩০ বৰ্গ কিল'মিটাৰ অঞ্চলত বৰ্ষাৰণ্য পৰিব্যাপ্ত হৈ আছে। এনে অৰণ্য থকা বিশ্বৰ আন কেইটামান অঞ্চল হৈছে আফ্ৰিকা, ইণ্ডোনেছিয়া, দক্ষিণ-পূব এছিয়া, লেটিন আমেৰিকা, জাইৰে আৰু প্ৰশান্ত মহাসাগৰৰ উপদ্বীপসমূহ। দক্ষিণ আমেৰিকাৰ আমাজ'ন নদীৰ অৱবাহিকা অঞ্চলৰ আমাজ'ন বৰ্ষাৰণ্যখন বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্য। বৰ্ষাৰণ্যত ১৮০-২২০ ফুট পৰ্য্যন্ত উচ্চতাৰ গছ দেখিবলৈ পোৱা যায়। অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত অৱস্থিত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান বৃহত্তৰ দিহিং পাটকাই বৰ্ষাৰণ্যৰ এক অংশ। ❖

উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।

# নদীৰ গতিপথ

■ ৰাণু বুজৰবৰুৱা



নদী হ'ল প্ৰকৃতিৰ চালিকা শক্তি। চিৰপ্ৰবহমান নদী যিফালে গতি কৰে সেইফালে প্ৰকৃতি সজীৱ কৰি তোলে। নদীৰ এই প্ৰবাহ বন্ধ হ'লে অৰ্থাৎ নদী এখন শুকাই গ'লে সেই ঠাইবোৰৰ জীৱকুলো ধ্বংসৰ মুখত পৰে। সেইবাবে নদী একোখনক কেন্দ্ৰ কৰিয়ে একোটা জীৱবিচিত্ৰতাৰে ভৰা অঞ্চল গঢ়ি উঠে। মানৱ সভ্যতাৰো মেৰুদণ্ডস্বৰূপ এই নদীসমূহ। প্ৰতিটো প্ৰাচীন মানৱ সভ্যতা একোখন বৃহৎ নৈক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। উদাহৰণস্বৰূপে, নীল নদীৰ পাৰৰ ইজিপ্তৰ সভ্যতা, টাইগ্ৰিছ আৰু ইউফ্ৰেটিছ নদীৰ পাৰৰ মেছ'পটেমিয়া সভ্যতা, সিন্ধু নৈৰ পাৰৰ সিন্ধু উপত্যকাৰ সভ্যতা, চীন দেশৰ হালধীয়া নৈৰ পাৰৰ সভ্যতা আদি। বৰ্তমানেও বিভিন্ন দেশৰ মূল বাণিজ্যিক চহৰসমূহ নদী বা সাগৰৰ পাৰত অৱস্থিত।

নদীসমূহৰ উৎপত্তিও বিচিত্ৰ ধৰণৰ। পৃথিৱীৰ উচ্চ অংশ, যেনে—পৰ্বত, পাহাৰ আদিৰ পৰা বৰফুণ বা তুষাৰ গলি অথবা হ্ৰদৰ পৰা পানী অতি সৰু পথেৰে তললৈ নামি আহে। এনেদৰে নামি অহা জলধাৰাই সৰু সৰু সুঁতিৰ সৃষ্টি কৰে। সৰু সুঁতিবোৰ লগ লাগি একোখন জান হয়। এনে কেইবাখনো জান মিলি একোখন নৈৰ সৃষ্টি হয়। পৃথিৱীৰ দীৰ্ঘতম নদী নীল নদী, নীলা নীল (Blue Nile) আৰু বগা নীল (White Nile) নামৰ দুখন উপনৈ সংযুক্ত হৈ সৃষ্টি হৈছে। আনহাতে পৃথিৱীৰ বৃহত্তম নদী আমাজ'নৰ উৎস পেৰুৰ টিটিকাকা হ্ৰদৰ ওচৰৰ নেভোদো মিছমি (Nevoda Mismi) নামৰ বৰফাবৃত্ত অংশ। ঠিক তেনেদৰে আমাৰ মহাবাহু ব্ৰহ্মপুত্ৰ তিব্বতৰ কৈলাস পৰ্বতশ্ৰেণীত থকা চেমা-য়ুংদুং হিমবাহৰ পৰা উৎপত্তি হৈছে।

**নদীৰ গতিপথ**

নদীৰ উৎসৰ পৰা মোহনালৈ (য'ত নদী এখন সাগৰৰ লগত মিলিত হয়) এই সুদীৰ্ঘ গতিপথক তিনিটা ভাগত ভগোৱা হৈছে—উচ্চাংশ, মধ্যাংশ আৰু নিম্নাংশ। সাধাৰণতে নদীসমূহৰ উৎস উচ্চাংশত অৰ্থাৎ পৰ্বতাঞ্চলত হয়। উচ্চাংশৰ পৰা নদী বৈ আহোঁতে তীব্ৰবেগে নামি আহে। ফলত নদীৰ খনন কাৰ্য্য বৃদ্ধি পায়। সেইবাবে এনে জলধাৰাই যথেষ্ট পৰিমাণৰ গেদ কঢ়িয়াই আনে। পৰ্বতৰ শিলৰ গঠন কোমল হ'লে গেদৰ পৰিমাণ বৃদ্ধি পায়। যেনে, হিমালয় পৰ্বতৰ পৰা বৈ অহা নৈবোৰ। এনেদৰে বৈ আহোঁতে যাত্ৰাপথত কঠিন শিলাস্তৰ থাকিলে গভীৰ গিৰিখাটৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে, আমেৰিকাৰ কলৰাডো নদীয়ে গঠন কৰা বিখ্যাত গ্ৰেণ্ড কেনিয়ন (Grand Canyoun) গিৰিখাট। আকৌ মৰুভূমিৰ মাজেৰে বৈ অহা নদীবোৰে 'U' আকৃতিৰ উপত্যকাৰ সৃষ্টি কৰে।

নদীৰ উচ্চাংশত সৃষ্টি হোৱা আন এটা প্ৰাকৃতিক গঠন হ'ল জলপ্ৰপাত। নদীৰ গতিপথত কঠিন শিলাস্তৰৰ তলত কোমল শিলাস্তৰ থাকিলে, সেই শিলাস্তৰ সোনকালে ক্ষয় যায়। তেতিয়া নদীৰ পানী থিয়কৈ তীব্ৰবেগে তললৈ নামি আহে। এনেদৰে জলপ্ৰপাতৰ সৃষ্টি হয়।

নদীৰ গতিপথৰ মধ্যাংশ সমতল অঞ্চলত থাকে। ইয়াত নদীৰ পানীৰ পৰিমাণ বেছি হয়, কিন্তু গতিবেগ

কম হয়। এই অঞ্চলত নদীৰ পাৰ্শ্ব খনন বেছিকৈ হয়। নদীয়ে লগত কঢ়িয়াই অনা গেদসমূহ (পলস) জমা কৰি কৰি সাৰুৱা সমতল গঠন কৰে। মধ্যাংশত কিছুমান নদীয়ে এঁকা-বেঁকা পথেদি বৈ যায়। কিছুমানৰ গতিপথ আপেক্ষিকভাৱে পোন যদিও পাছলৈ কিছু অংশত এঁকা-বেঁকা হৈ যায়। নদীৰ গতিপথ এঁকা-বেঁকা হোৱাটো নিৰ্ভৰ কৰে পানীৰ সোঁত, জমা হোৱা গেদ আৰু ভূমিস্খলনৰ ওপৰত। পানীৰ কোবাল সোঁতে সমতল অঞ্চলত দাঁতি-কাষৰীয়া ঠাইবোৰৰ কোমল অংশবোৰ সহজে খহাই লৈ যায়।

নদীৰ গতিপথৰ নিম্নাংশত সোঁতৰ গতিবেগ একেবাৰে কমি যায়। নদীখনে কঢ়িয়াই অনা অৱক্ষেপবোৰ নদীৰ তলিত জমা হোৱাৰ ফলত নদীখন কেইবাটাও সুঁতিত বিভক্ত হৈ যায়। এনেদৰে সুঁতিত বিভক্ত হোৱাৰ ফলত নদী-দ্বীপ বা বালিচৰৰ সৃষ্টি হয়।

এনেদৰে বৈ গৈ থাকি শেষত নদী এখন মোহনা অঞ্চলত সাগৰত বা হ্ৰদত মিলিত হয়। এই মোহনা অঞ্চলত যদিহে সাগৰীয় সোঁতৰ প্ৰভাৱ কম হয় তেনেবোৰ ঠাইত নদীয়ে কঢ়িয়াই অনা গেদ জমা হৈ হৈ 'ব' আকৃতিৰ দ্বীপৰ সৃষ্টি হয়। গংগা নদীৰ গতিপথৰ নিম্নাংশ ব্ৰহ্মপুত্ৰৰ লগত মিলি বংগোপসাগৰত পৰিছেগৈ। এই অঞ্চলতে সৃষ্টি হৈছে পৃথিৱীৰ বৃহত্তম ব-দ্বীপৰ।

নৈ এখন বৈ আহোঁতে কেতিয়াবা সমীপৱৰ্তী আন এখন নৈৰ লগ লাগে। তেতিয়া দ্বিতীয়খন নৈৰ ওপৰ অংশৰ পানীভাগ প্ৰথমখন নদীলৈ প্ৰবাহিত হয়। ইয়াক নদী অপহৰণ কৰা বোলে। বহুতো সৰু-বৰ নৈ বৈ আহি ডাঙৰ নৈ এখনৰ যাত্ৰাপথত মিলিত হয়। সেইবোৰক উপনৈ বোলে। মূল নৈখনৰ জলধাৰাৰ পৰিমাণ নিয়ন্ত্ৰিত হৈ থকাত এই উপনৈবোৰৰ ভূমিকা গুৰুত্বপূৰ্ণ।

**নদীৰ গতিপথ সলনি হয় কিয়?**

যুগ যুগ ধৰি বৈ থকা নৈবোৰ সদায় একেটা পথেৰেই গতি কৰি নাথাকে। সময়ে সময়ে ইহঁতে নিজৰ যাত্ৰাপথ সলনি কৰে। সাধাৰণতে পানী সমতল অংশত কম বাধা পোৱা সহজ পথেৰে গতি কৰিবলৈ বিচাৰে। নদীৰ কাষৰীয়া অঞ্চলত টান শিল থাকিলে পানী সেইফালে বৈ যোৱাত বাধা পায়। তেতিয়া যিফালে কোমল অংশ পায় সেইফালে খহনীয়াৰ সৃষ্টি কৰি নৈখন বৈ যায়। তদুপৰি নদীয়ে কঢ়িয়াই অনা গেদ যেতিয়া এটা দিশত বেছিকৈ জমা হ'ব তেতিয়া পানীয়ে তাত বাধা পাই আনফালে বেছি জোৰেৰে গতি কৰে। তেতিয়া সেইফালৰ মাটিত খহনীয়াৰ সৃষ্টি হয় আৰু পানীয়ে নিজৰ দিশ সলায়। তদুপৰি ভূপৃষ্ঠৰ বিভিন্ন প্ৰক্ৰিয়াৰ বাবেও নদীৰ গতিপথ সলনি হয়।

তদুপৰি মানৱ নিৰ্মিত নদীবান্ধবোৰৰ বাবেও নদীৰ গতিপথ সলনি হয়।

নদী প্ৰকৃতিৰ অপূৰ্ব আৰু অতি প্ৰয়োজনীয় সৃষ্টি। নদীসমূহে মানুহৰ প্ৰায় সকলো প্ৰয়োজন প্ৰত্যক্ষ বা পৰোক্ষভাৱে পূৰ কৰি আহিছে। কিন্তু বৰ্তমান মানুহে নিজৰ সুখ-সুবিধাৰ বাবে নদীসমূহৰ ওপৰত নানান অত্যাচাৰ চলাইছে। ফলস্বৰূপে নদীসমূহ প্ৰদূষিত হৈ পৰিছে। বহুতো জলজ জীৱ চিৰদিনৰ বাবে পৃথিৱীৰ পৰা নোহোৱা হৈ গৈছে। আমাৰ দেশৰ দুখন ডাঙৰ নৈ গংগা আৰু ব্ৰহ্মপুত্ৰ। গংগাক পৱিত্ৰ নদী বুলি মানি অহা মানুহে ইয়াক প্ৰদূষিত কৰি পেলাইছে। আনহাতে ব্ৰহ্মপুত্ৰ নদীৰ উচ্চাংশত নিৰ্মিত নদীবান্ধৰ বাবে ব্ৰহ্মপুত্ৰৰ পানীৰ পৰিমাণো কমি আহিছে। ইয়াৰ ফলাফল অতি ভয়াবহ হ'ব। মানৱ সভ্যতা জীয়াই থাকিবলৈ হ'লে আমি নদীসমূহ জীয়াই ৰাখিবই লাগিব। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (ফেব্ৰুৱাৰী)

১। ভাৰত ৰত্ন ২। ৰোহন বোপান্না ৩। গণেশ গগৈ ৪। য়ুৰি গাগাৰিন
৫। International Standard Book Number ❖

# কুইজ

■ **দীপাংকৰ কৌশিক**

১। ১৮৯৩ চনত কোনখন দেশে বিশ্বত পোনপ্ৰথমে মহিলাক ভোটাধিকাৰ প্ৰদান কৰিছিল?

২। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস - ৮ মাৰ্চত পালন কৰা হয়। ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস কোন তাৰিখে পালন কৰা হয়?

৩। ১৯৫২ চনৰ ২১ জুলাইত নীলিমা ঘোষে প্ৰথমগৰাকী ভাৰতীয় মহিলা হিচাপে ক্ৰীড়া ক্ষেত্ৰত কি কৃতিত্ব অৰ্জন কৰিছিল ?

৪। কোনবিধ শাস্ত্ৰীয় নৃত্যৰ নামটো আহিছে অন্ধ্ৰপ্ৰদেশৰ এখন গাঁৱৰ নামৰ পৰা ?

৫। এগৰাকী মহিলাই ২০০৬ চনত লাভ কৰিছিল মেন বুকাৰ বঁটা। তেওঁৰ মাতৃয়ে তিনিবাৰ বুকাৰ বঁটাৰ বাবে মনোনয়ন লাভ কৰিছিল। ১৯৭৮ চনত লেখিকাগৰাকীৰ মাতৃয়ে লাভ কৰিছিল সাহিত্য অকাডেমি বঁটা। কোন বাৰু এই মাতৃ-কন্যা?

৬। প্ৰথমখন আংশিক ৰঙীন অসমীয়া চলচ্চিত্ৰৰ পৰিচালক কোন আছিল?

৭। এগৰাকী ভাৰতীয় খেলুৱৈৰ পিতৃ-মাতৃ দুয়োগৰাকী আছিল ভলীবল খেলুৱৈ। দেউতাকে এছিয়ান গেমছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ২০০০ চনত লাভ কৰিছিল অৰ্জুন বঁটা। খেলুৱৈগৰাকীয়ে ২০১৩ চনত অৰ্জুন বঁটা, ২০১৬ চনত মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা আৰু ২০২০ চনত লাভ কৰে পদ্মভূষণ সন্মান। খেলুৱৈগৰাকীৰ নাম কি?

৮। Assamese : It's formation and development নামৰ গ্ৰন্থখন অসমীয়া ভাষা বিষয়ক প্ৰথম গৱেষণামূলক গ্ৰন্থ। গ্ৰন্থখনৰ লেখকগৰাকীৰ নাম কি?

৯। সংগীত নাটক অকাডেমিৰ ফেল'শ্বিপক অকাডেমি ৰত্ন বুলিও কোৱা হয়। শেহতীয়াকৈ কোনগৰাকী বিশিষ্ট অসমীয়ালৈ এই সন্মান আগ বঢ়োৱা হৈছে?

১০। বেনহুৰ, টাইটানিক আৰু লৰ্ড অব দ্য ৰিংছ—অস্কাৰৰ ইতিহাসত এইকেইখন চলচ্চিত্ৰৰ মাজত এটা বিশেষ সম্পৰ্ক আছে। সেই সম্পৰ্কটো কি?

১১। ৰতন লহকৰ আৰু কৃষ্ণ ৰয় - এই দুগৰাকী ব্যক্তিয়ে ১৯৭৬-৭৭ চনত পাঠশালাত কিহৰ আৰম্ভণি কৰিছিল?

১২। যাকেৰি নাহিকে উপাম—এখন বিখ্যাত অসমীয়া গ্ৰন্থ। গ্ৰন্থখনৰ লেখকগৰাকীৰ নাম কি?

১৩। Q R কোডৰ কথা আমি সকলোৱে জানো। এই QR ৰ সম্পূৰ্ণ ৰূপটো কি?

১৪। অসমৰ লগত কাজি নেমুৰ এটা বিশেষ সম্পৰ্ক আছে। কেৰালাৰ লগত সেই বিশেষ সম্পৰ্ক থকা ফলবিধ কি?

**চিত্ৰ সংকেত**

১৫ । চিত্ৰত থকা ব্যক্তিগৰাকী কোন?



**তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (ফেব্ৰুৱাৰী, ২০২৪)**

পল ভৰালী (পঞ্চম গ), জিয়ান ফুকন ঠাকুৰীয়া (চতুৰ্থ ঘ)। ❖

**চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থী (ফেব্ৰুৱাৰী, ২০২৪)**

জাৰিফ শ্বাহৰিয়া আলিম (সপ্তম ক) ❖

# মহীশূৰৰ যুদ্ধ

■ নৱনীতা কলিতা



ভাৰতৰ দক্ষিণ অঞ্চলত ইংৰাজ সাম্ৰাজ্য বিস্তাৰৰ ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ ঘটনা হ'ল মহীশূৰৰ যুদ্ধ।

পুৰণি মহীশূৰ ৰাজ্য বুলিলে আমি বৰ্তমানৰ কৰ্ণাটক ৰাজ্যকে বুজোঁ। ভাৰতত মোগল সাম্ৰাজ্যৰ সামৰণি পৰাৰ লগে লগে ভাৰতৰ বিভিন্ন প্ৰান্তত কেইবাজনো শক্তিশালী শাসকে নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰা আৰম্ভ কৰিছিল। এইসকলৰ ভিতৰত অন্যতম আছিল মহীশূৰ ৰাজ্যৰ দুজন শক্তিশালী চুলতান—হাইদৰ আলী আৰু তেওঁৰ পুত্ৰ টিপু চুলতান। বৃটিছ শক্তিৰ বিৰুদ্ধে এক শক্তিসংঘ গঢ়ি তোলাৰ ক্ষেত্ৰত হাইদৰ আলী আছিল প্ৰথম ভাৰতীয় নৃপতি। পিতাকৰ দৰে পুত্ৰ টিপু চুলতানো আছিল এজন সম্পূৰ্ণ বৃটিছ বিৰোধী যোদ্ধা। তেওঁলোক যথেষ্ট প্ৰভুত্বশালী শাসক আছিল আৰু বিদেশী শক্তিৰ বিৰুদ্ধে যুদ্ধত নিজৰ সৰ্বস্ব পণ কৰিছিল। বৃটিছৰ প্ৰতি চিৰ-শত্ৰুতাৰ নীতি গ্ৰহণ কৰি তেওঁলোকে গোটেই জীৱন বৃটিছ শক্তি ধ্বংস কৰাৰ উদ্দেশ্যে যুদ্ধ কৰিছিল। সেই সময়ত দক্ষিণ ভাৰতৰে আন দুটি শক্তি হাইদৰাবাদৰ নিজাম আৰু মাৰাঠাসকলৰ পৰা যদি মহীশূৰৰ শাসক দুজনে যথোপযুক্ত সাহায্য লাভ কৰিলেহেঁতেন, তেনেহ'লে হয়তো ভাৰতত বৃটিছসকলে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰোঁতে কিছু হ'লেও পলম হ'লহেঁতেন।

হাইদৰ আলী নিৰক্ষৰ আছিল। ৭ বছৰ বয়সতেই পিতৃহাৰা হোৱা হাইদৰে উপযুক্ত অভিভাৱকৰ অভাৱত শিক্ষা লাভৰ সুযোগ পোৱা নাছিল যদিও নিজৰ সাহস, কাৰ্য্যদক্ষতা, যোগ্যতা আৰু প্ৰতিভাৰ বলতেই তেওঁ এটা সময়ত মহীশূৰৰ শাসক নন্দৰাজ আৰু দেৱৰাজক যুদ্ধত হৰুৱাই মহীশূৰৰ সিংহাসনত বহে। সিংহাসন দখল কৰি 'খান বাহাদুৰ' উপাধি লৈ তেওঁ মহীশূৰৰ প্ৰশাসনিক ব্যৱস্থা, সামৰিক ব্যৱস্থা আদিৰ উন্নতি কৰি ৰাজ্যখনক শক্তিশালী তথা জাকতজিলিকা কৰি তুলিবলৈ সক্ষম হয়। হাইদৰ আলীয়ে বিদনুৰ, চুন্দা, চেবা, কানাৰা, গুটি আদি ঠাই জয় কৰি নিজ ৰাজ্যত অন্তৰ্ভুক্ত কৰি ৰাজ্যৰ সীমাও বিস্তাৰ কৰে।

ইংৰাজসকলৰ প্ৰধান শত্ৰু ফৰাচীসকলৰ লগতো হাইদৰ আলীয়ে ঘনিষ্ঠতা স্থাপন কৰিছিল। স্বাভাৱিকতে হাইদৰ আলীৰ এই মিত্ৰতা, মহীশূৰ ৰাজ্যৰ উন্নতি, ৰাজ্য বিস্তাৰ আদি ইংৰাজসকলৰ সহ্য হোৱা নাছিল। ইংৰাজসকলৰ লগতে দক্ষিণ ভাৰতৰে দুটি শক্তি মাৰাঠা আৰু হাইদৰাবাদৰ নিজামেও হাইদৰ আলীৰ মহীশূৰ ৰাজ্যৰ ক্ৰমাৎ বৃদ্ধি পোৱা শক্তিৰ বিৰোধ কৰিবলৈ লয়। ফলত ১৭৬৭ চনত ইংৰাজ, মাৰাঠা আৰু নিজাম লগ হৈ হাইদৰ আলীৰ বিৰুদ্ধে থিয় দিয়ে। চতুৰ হাইদৰ আলীয়ে অতি কৌশলেৰে মাৰাঠাৰ শাসকক ধনৰ প্ৰলোভন দেখুৱাই নিজৰ আয়ত্তলৈ আনি লয়। তাৰ পাছত নিজামকো নিজা কূটকৌশল প্ৰয়োগ কৰি ইংৰাজৰ পক্ষ ত্যাগ কৰিবলৈ বাধ্য কৰায়। ফলত ইংৰাজ সেনাধ্যক্ষ কৰ্নেল জ'ছেফ স্মিথে অকলেই হাইদৰ আলীৰ বিৰুদ্ধে যুদ্ধ চলাই নিব লগা হয়। এইখনেই হৈছে ইংগ-মহীশূৰৰ প্ৰথম যুদ্ধ।



হাইদৰ আলী



টিপু চুলতান

যুদ্ধৰ প্ৰথম অৱস্থাত কৰ্নেল স্মিথে সাফল্য অৰ্জন কৰিছিল যদিও পাছলৈ ১৭৬৯ চনত মাদ্ৰাজ সন্ধিৰ জৰিয়তে প্ৰথম ইংগ-মহীশূৰ যুদ্ধৰ অন্ত পৰে। এই সন্ধিৰ চৰ্তমতে পৰস্পৰে পৰস্পৰক অধিকৃত স্থানসমূহ আৰু যুদ্ধবন্দী ঘূৰাই দিবলৈ স্থিৰ কৰে। তদুপৰি ভৱিষ্যতে যদি আন কোনো তৃতীয় শক্তিয়ে এক পক্ষক আক্ৰমণ কৰে তেন্তে অন্য পক্ষই তেওঁলোকক সহায় কৰিব বুলি সিদ্ধান্ত লোৱা হয়।

প্ৰথম মহীশূৰ যুদ্ধৰ পাছত কিছুদিন ইংৰাজসকলে মিত্ৰতাৰ ভাব দেখুৱালে যদিও ১৭৭১ চনত মাৰাঠাসকলে পুনৰ মহীশূৰ আক্ৰমণ কৰাত হাইদৰ আলীয়ে ইংৰাজসকলৰ পৰা মাদ্ৰাজ সন্ধিৰ চৰ্ত অনুসৰি কোনো সামৰিক সাহায্য নাপালে। এই কথাত হাইদৰ আলী ক্ৰুদ্ধ হয় আৰু পুনৰ ইংৰাজ বিৰোধী হৈ উঠে। ইয়াৰ উপৰি গৱৰ্ণৰ জেনেৰেল ৱাৰেন হেষ্টিংছে ভাৰতৰ পৰা ফৰাচী আধিপত্য লুপ্ত কৰিবলৈ মহীশূৰৰ অন্তৰ্গত মাহে নামৰ বন্দৰটো বলপূৰ্বকভাৱে অধিকাৰ কৰে। প্ৰতিৰক্ষা আৰু বাণিজ্যিক দিশৰ পৰা মাহে বন্দৰটো মহীশূৰৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ আছিল বাবে হাইদৰ আলীয়ে ইংৰাজৰ এই কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ কৰে। ইফালে হাইদৰাবাদৰ নিজাম আৰু পেছোৱাৰ মাধৱ ৰাও ইংৰাজসকলৰ ওপৰত অসন্তুষ্ট হৈ উঠাত হাইদৰ আলীয়ে এই সুযোগ গ্ৰহণ কৰি ১৭৮০ চনত নিজাম আৰু মাধৱ ৰাওৰ লগত লগ হৈ ইংৰাজৰ বিৰুদ্ধে পুনৰ যুদ্ধ ঘোষণা কৰে। এইখনেই আছিল ইংগ-মহীশূৰৰ দ্বিতীয় যুদ্ধ।

যুদ্ধৰ আৰম্ভণিতে হাইদৰাবাদৰ নিজাম আৰু মাৰাঠা বাহিনীৰ সেনাধ্যক্ষ মহাদজি সিন্ধিয়াই হাইদৰৰ পক্ষ লয়, কিন্তু তৎকালীন গৱৰ্ণৰ জেনেৰেল ৱাৰেন হেষ্টিংছৰ প্ৰৰোচনাত তেওঁলোকে হাইদৰৰ পক্ষ ত্যাগ কৰে। ফলত এই যুদ্ধ হাইদৰে অকলেই চলাই নিবলগীয়াত পৰে। তাৰ পাছত হাইদৰক দমনৰ উদ্দেশ্যে ইংৰাজ চৰকাৰে এটা বিশাল বাহিনী প্ৰেৰণ কৰে আৰু অকলশৰীয়া হাইদৰ ইংৰাজ বাহিনীৰ হাতত পৰাস্ত হয়। ফলত নেগাপট্টম, ত্ৰিংকোমালি আদি অঞ্চল তেওঁ হেৰুৱাবলগীয়া হয়। আনহাতে হাইদৰৰ পুত্ৰ টিপুৰ হাতত তাঞ্জোৰৰ যুদ্ধত ইংৰাজ বাহিনীয়ে পৰাজয় বৰণ কৰে। সেই সময়তে হাইদৰৰ মিত্ৰ ফৰাচীসকলে এক বিশাল নৌবাহিনী লৈ ইংৰাজৰ বিৰুদ্ধে হাইদৰক সহায় কৰিবলৈ আগ বাঢ়ি আহিছিল যদিও হাইদৰ আলী অসুস্থ হৈ পৰাত সকলো পৰিকল্পনা থান-বান হৈ পৰে। অৱশেষত যুদ্ধ অসমাপ্ত অৱস্থাতে ১৭৮২ চনত হাইদৰ আলীৰ অচিন ৰোগত মৃত্যু হয়।

পিতৃৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ টিপু চুলতান মহীশূৰৰ সিংহাসনত বহে আৰু বৃটিছ বিৰোধী এই যুদ্ধ চলাই যায়। পিতৃৰ দৰেই সমৰকুশলী বীৰ যোদ্ধা টিপু চুলতান আছিল দুৰ্দান্ত সাহসী, তৎপৰ আৰু অসীম মনোবলৰ গৰাকী। শাসনকাৰ্য্য আৰু যুদ্ধবিদ্যাত পাৰ্গত টিপুৱে ৰাজ্যভাৰ গ্ৰহণ কৰাৰ পৰাই বৃটিছ বিৰোধী আছিল। তেওঁ বিদেশী শক্তিক দেশৰ পৰা নিৰ্মূল কৰিবলৈ মনে-প্ৰাণে চেষ্টা কৰিছিল। কিন্তু ইতিমধ্যে আন্তৰ্জাতিক পৰ্য্যায়ত ইংৰাজ-ফৰাচীৰ বিৰোধৰ নিষ্পত্তি হোৱাত টিপু পুনৰ অকলশৰীয়া হৈ পৰে। সেই সময়তে মাদ্ৰাজৰ গৱৰ্ণৰ লৰ্ড মেকাৰ্টনিয়ে শান্তি স্থাপন কৰিব খোজাত আলাপ-আলোচনাৰ মাজেৰে টিপু আৰু মাদ্ৰাজ

চৰকাৰৰ মাজত ১৭৮৪ চনত এখন সন্ধি স্বাক্ষৰিত হয়। এই সন্ধিখনকেই মাংগালোৰ সন্ধি বুলি কোৱা হয়। এই সন্ধিৰ চৰ্ত অনুসৰি উভয় পক্ষই যুদ্ধবন্দীক মুক্তি দিবলৈ আৰু অধিকৃত স্থানসমূহ ঘূৰাই দিবলৈ মান্তি হ'ল। এইদৰেই দ্বিতীয় মহীশূৰ যুদ্ধৰ অন্ত পৰে।

মাংগালোৰ সন্ধি মতে দুয়োপক্ষই কিছুদিন পাৰ কৰিলে যদিও ই মাত্ৰ যুদ্ধ বিৰতিৰ লেখীয়াহে হ'ল। কাৰণ, টিপুৱে কোনো এটা ক্ষণতো বৃটিছৰ সৈতে বন্ধুত্ব স্থাপন কৰাৰ বাবে আগ্ৰহী নাছিল। তেওঁ পুনৰ যুদ্ধৰ বাবে প্ৰস্তুতি চলায়। ১৭৮৬ চনত গৱৰ্নৰ জেনেৰেল লৰ্ড কৰ্নৱালিছে পৰিস্থিতিৰ বুজ লয় আৰু মাৰাঠা আৰু নিজামৰ লগত ঘনিষ্ঠতা স্থাপন কৰে। অতি চাতুৰিৰে কৰ্নৱালিছে মাৰাঠা আৰু নিজামক নিজৰ আয়ত্তলৈ আনে আৰু টিপুৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হয়। টিপুৱেও ১৭৯০ চনত ইংৰাজৰ আশ্ৰিত ৰাজ্য ত্ৰিবাংকুৰ আক্ৰমণ কৰে। পৰিণতিত সূচনা হয় তৃতীয় ইংগ-মহীশূৰ যুদ্ধ। নিজাম আৰু মাৰাঠা বাহিনীৰ সাহায্যৰ পাছতো বৃটিছ বাহিনীয়ে বীৰ টিপু চুলতানৰ বিৰুদ্ধে অগ্ৰগতি লাভ কৰিব নোৱাৰিলে। টিপুৱে অতি সাহসেৰে অকলেই যুদ্ধ কৰি কেইবাখনো যুদ্ধত মেজৰ জেনেৰেল মিজ্জক পৰাস্ত কৰি নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। দুবছৰ ধৰি এই যুদ্ধ চলে আৰু অৱশেষত ১৭৯২ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনা লৰ্ড কৰ্নৱালিছ শ্ৰীৰংগপট্টমৰ ওচৰত উপস্থিত হয়গৈ। শত্ৰুৱে টিপুৰ ৰাজধানী শ্ৰীৰংগপট্টনম অৱৰোধ কৰাত টিপুৱে উপায়হীন হৈ সন্ধি কৰিবলৈ বাধ্য হয়। ১৭৯২ চনৰ শ্ৰীৰংগপট্টনমৰ সন্ধিৰ চৰ্ত অনুসৰি টিপুৱে তেওঁৰ ৰাজ্যৰ আধা অংশ শত্ৰুপক্ষৰ হাতত এৰি দিয়ে আৰু ক্ষতিপূৰণ হিচাপে নিজৰ দুই পুত্ৰৰ লগতে প্ৰচুৰ পৰিমাণৰ ধন ইংৰাজৰ হাতত জৰিমনাৰূপে অৰ্পণ কৰিবলগীয়া হয়। এই সন্ধিৰ জৰিয়তেই তৃতীয় ইংগ-মহীশূৰ যুদ্ধৰ অন্ত পৰে।

টিপু চুলতানৰ দৰে এজন বীৰ যোদ্ধা যিয়ে বিদেশী শক্তি এটাক ভাৰতত শিপাবলৈ নিদিয়াৰ যি উচ্চাকাংক্ষা মনত পুহি ৰাখিছিল, সেই আশা তৃতীয় মহীশূৰৰ যুদ্ধৰ লগে লগে থান-বান হৈ যায় যদিও স্বাধীনতাপ্ৰিয় বীৰ টিপুৱে তেতিয়াও মনোবল অটুট ৰাখিছিল। তৃতীয় মহীশূৰ যুদ্ধৰ চৰম পৰ্য্যায়ৰ পাছতো টিপুৱে শক্তি সঞ্চয় কৰি পুনৰ যুদ্ধৰ বাবে সাজু হয়। তেওঁ পুনৰ নিজ সেনাবাহিনী সুসজ্জিত কৰি তোলে। অৰ্থনৈতিক দিশতো টিপুৱে মনোনিবেশ কৰি ৰাজ্যখন পুনৰ চহকী কৰি তোলে। যুদ্ধৰ ক্ষতিপূৰণ পৰিশোধ কৰি তেওঁ নিজ পুত্ৰ দুয়োজনকে মুক্ত কৰি আনে। পৰ্য্যায়ক্ৰমে টিপুৱে যুদ্ধৰ বাবে সাজু হয় আৰু ফ্ৰান্সৰ লগতো মিত্ৰতা স্থাপনৰ চেষ্টা কৰে।

সেই সময়ত ভাৰতৰ গৱৰ্নৰ জেনেৰেল আছিল লৰ্ড ৱেলেছলি। তেওঁ টিপুৰ গতিবিধি লক্ষ্য কৰি টিপুৰ মনোভাবৰ উমান পাইছিল আৰু পৰাক্ৰমী যোদ্ধা টিপুৰ বিৰুদ্ধে বলেৰে নোৱাৰি ষড়যন্ত্ৰ কৰিবলৈ আৰম্ভ কৰে। ৱেলেছলিয়ে পুনৰ মাৰাঠা আৰু নিজামৰ লগত মিত্ৰতা স্থাপন কৰে আৰু তাৰ পাছত তেওঁ সু-পৰিকল্পিতভাৱে টিপুৰ পৰা বৃটিছ বিৰোধী কাৰ্য্যকলাপৰ বিষয়ে কৈফিয়ৎ দাবী কৰে। টিপুৰ উত্তৰ সন্তোষজনক নহয় বুলি অভিযোগ কৰি ১৭৯৮ চনত টিপুৰ বিৰুদ্ধে লৰ্ড ৱেলেছলিয়ে যুদ্ধ ঘোষণা কৰে। এইখনেই হৈছে ইংগ-মহীশূৰৰ চতুৰ্থ যুদ্ধ।

এই যুদ্ধত টিপুৱে আন কোনো ঠাইৰ পৰা সাহায্য নোপোৱাত অপ্ৰস্তুতভাৱে হ'লেও অকলেই বৃটিছৰ বিৰুদ্ধে থিয় দিয়ে। কিন্তু বৃটিছৰ সুপৰিকল্পিত আক্ৰমণত টিপুৱে প্ৰথমে সদাশিৱ আৰু মলভেলি যুদ্ধত পৰাজয় বৰণ কৰিবলগীয়া হয় আৰু তাৰ পাছত তেওঁ তেওঁৰ ৰাজধানী শ্ৰীৰংগপট্টনম ৰক্ষাৰ বাবে যুদ্ধ কৰিছিল যদিও ৪ মে' ১৭৯৯ চনত শত্ৰুৰ গুলীৰ আঘাতত প্ৰাণ বিসৰ্জন দিয়ে। টিপুৰ মৃত্যুৰ লগে লগে মহীশূৰৰ গৌৰৱোজ্জ্বল ইতিহাসৰ অন্ত পৰে। তেওঁৰ মৃত্যুৰ পাছত ইংৰাজে মহীশূৰৰ আধা অংশ দখল কৰি লয় আৰু অৱশিষ্ট অংশ নিজাম আৰু পূৰ্বৰ হিন্দু শাসকক ওভতাই দিয়ে যদিও সম্পূৰ্ণভাৱে বৃটিছ চৰকাৰৰ কৰতলীয়া কৰি লয়। ইয়াৰ লগে লগেই দক্ষিণ ভাৰততো বৃটিছ আধিপত্যৰ পথ মুকলি হৈ পৰে। ❖

# শিক্ষাৰ্থীয়ে অঁকা ছবি




ৰুদ্ৰনীল বৰগোহাঁই, চতুৰ্থ খ



বিকি ৰাজবংশী, পঞ্চম ঘ



ধ্ৰুৱজ্যোতি নাথ, সপ্তম গ




নৈঋতী মেধি, চতুৰ্থ ক



প্ৰাঞ্জনা গোস্বামী, অষ্টম গ



তৃষা দেবী, চতুৰ্থ ঘ



জ্ঞানশ্ৰী কাশ্যপ, চতুৰ্থ ঘ

## বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



ভাৰত



ভূটান



নেপাল



উত্তৰ কোৰিয়া



ম্যানমাৰ



ডেনমাৰ্ক



বাংলাদেশ



ৰাছিয়া



ব্ৰাজিল



চীন



শ্ৰীলংকা



থাইলেণ্ড